সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩৯ সংখ্যা, ৯ আহিন, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 39 Date of Publication- 27 September 2026 Rs. 10.00/-

## গুজৰাটত ১৫০ টন উৎপাদন ক্ষমতাসম্পন্ন ই-মিথানল প্ৰকল্পৰ আধাৰশিলা স্থাপন




ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ সেউজ অৰ্থনীতিৰ বিকাশৰ দিশত অসমে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰখনত মাইলৰ খুঁটি স্থাপন কৰি গুজৰাটৰ কাণ্ডলাত দেশৰ প্ৰথমটো বন্দৰভিত্তিক ই-মিথানল উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। অসম পেট্ৰ'-কেমিকেলছ লিমিটেড আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ সম্মিলিত প্ৰচেষ্টাত গঢ় লৈ উঠিবলগীয়া প্ৰকল্পটোত কেন্দ্ৰীয় বন্দৰ-জাহাজ পৰিবহণ-জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে দৈনিক ১৫০ টন (টি পি ডি) উৎপাদন ক্ষমতাৰ দেশৰ অন্যতম বৃহৎ ই-মিথানল প্ৰকল্পটো ২,৩০০ কোটি টকা বিনিয়োগেৰে স্থাপন কৰিবলৈ লোৱা হৈছে। এই প্ৰকল্পটোৱে ৩, ৫০০ৰো অধিক যুৱক-যুৱতী, অভিযন্তা আৰু দক্ষ কৰ্মচাৰীৰ বাবে প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰিব। ভাৰতৰ পশ্চিম প্ৰান্তৰ অন্যতম ব্যস্ত সামুদ্ৰিক বাণিজ্যিক পথত অৱস্থিত কাণ্ডলা বন্দৰত নিৰ্মাণ হ'বলগীয়া প্ৰকল্পটোৱে দেশৰ আমদানিকৃত জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা আৰু জাহাজ পৰিবহণৰ প্ৰদূষণ হ্ৰাস কৰিব। এই প্ৰকল্পটোৱে ঔদ্যোগিক খণ্ডত অসমৰ ক্ৰমবৰ্ধমান সবল উপস্থিতি তথা সামৰ্থ্যকো প্ৰতিফলিত কৰিছে। এই উপলক্ষে গুজৰাটৰ গান্ধীধামৰ দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ প্ৰদৰ্শনী ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই প্ৰকল্পটোৱে ভাৰতবৰ্ষক সেউজ ইন্ধন যোগানৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনত গ্লাচগোত আয়োজিত ৰাষ্ট্ৰসংঘৰ জলবায়ু সন্মিলনত অংশগ্ৰহণ কৰি ২০৭০ চনৰ ভিতৰত ভাৰতবৰ্ষই কাৰ্বন নিৰ্গমন শূন্যলৈ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণৰ কথা উল্লেখ কৰিছিল। প্ৰধানমন্ত্ৰী মোদীৰ এই দৃষ্টিভংগীৰ পিছতে সমগ্ৰ দেশতে সূচনা হোৱা সেউজ ইন্ধনৰ নতুন আন্দোলনটোক গুজৰাটে নেতৃত্ব দিবলৈ সক্ষম হৈছে। ৰাজ্যখনে সৌৰশক্তি, সেউজ হাইড্ৰ'জেন আদি উৎপাদনেৰে ভাৰতবৰ্ষক জীৱাশ্ম ইন্ধনৰ পৰা (দহ পৃষ্ঠাত চাওক)

## মহানগৰীৰ হোমষ্টেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰীক নৃশংস হত্যা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য জোকাৰি যোৱা এটা চঞ্চাল্যকৰ ঘটনা। মহানগৰীৰ গড়লস্থিত 'ৰুদ্ৰা'ছ কিচেন' নামৰ এটা হোমষ্টেত এটা পাষণ্ডৰ লাভ জেহাদৰ বলি হ'ল এগৰাকী হিন্দু যুৱতী। অতি নৃশংসভাৱে যুৱতীগৰাকীক পাষণ্ড প্ৰেমিকে হত্যা কৰা ঘটনাই সমগ্ৰ ৰাজ্য জোকাৰি গৈছে। মৃত যুৱতীগৰাকী ধাৰাপুৰৰ দীপ ঠাকুৰীয়াৰ জ্যেষ্ঠ কন্যা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৫ বছৰীয়া সংহত পাঠ্যক্ৰমৰ শিক্ষা বিভাগৰ স্নাতক শ্ৰেণীৰ ২২ বছৰীয়া ছাত্ৰী নিমিষা ঠাকুৰীয়া। আনহাতে হত্যাকাণ্ডটো সংঘটিত কৰাৰ অভিযোগ উঠা মিঞা প্ৰেমিকজন হৈছে জালুকবাৰীৰ গাড়ীগাঁৱৰ ( দুই পৃষ্ঠাত চাওক)

## ভুৰবন্ধাত দেৱাশিস শৰ্মাৰ হৈ অগপৰ সভাপতি অতুল বৰাৰ প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এন ডি এ মিত্ৰজোঁটৰ সমৰ্থিত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ অসম গণ পৰিষদৰ (অগপ) সভাপতি তথা মন্ত্ৰী অতুল বৰাই এক ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ভুৰবন্ধাত অগপৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত এই বিশাল নিৰ্বাচনী সভাখন অনুষ্ঠিত হৈছিল। দলৰ শীৰ্ষ নেতা কেশৱ মহন্ত আৰু ফণীভূষণ চৌধুৰীৰ উপস্থিতিত মন্ত্ৰী অতুল বৰাই ভাষণ প্ৰসংগত কয়-মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ( দুই পৃষ্ঠাত চাওক)

## জিএমচিএইচত ৰ'বটিক হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ স্বাস্থ্যখণ্ডত অত্যাধুনিক চিকিৎসা প্ৰযুক্তিৰ সংযোজনৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (জিএমচিএইচ) ৰ চি এন কেন্দ্ৰত প্ৰথমবাৰৰ বাবে ৰ'বটিক প্ৰযুক্তিৰ সহায়ত হৃদযন্ত্ৰৰ জটিল অস্ত্ৰোপচাৰ সফলভাৱে সম্পন্ন কৰা হৈছে। ২৫ আৰু ২৬ ছেপ্তেম্বৰ এই দুদিনত তিনিজন ৰোগীৰ ৰ'বটিক হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ সফলভাৱে সম্পন্ন হোৱাত ৰাজ্যৰ হৃদৰোগীসকলৰ বাবে উন্নত চিকিৎসা সেৱাৰ নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। দেশৰ প্ৰখ্যাত হৃদৰোগৰ শল্য চিকিৎসক তথা অসমৰ প্ৰথমগৰাকী ৰ'বটিক হৃদযন্ত্ৰ অস্ত্ৰোপচাৰ বিশেষজ্ঞ ডাঃ ঋত্বিক ৰাজ ভুএগ্ৰাৰ তত্ত্বাৱধানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চি এন কেন্দ্ৰৰ হৃদৰোগৰ শল্য চিকিৎসা বিভাগে এই অস্ত্ৰোপচাৰসমূহ সম্পন্ন কৰে। ৰাজ্যত ৰ'বটিক প্ৰযুক্তিৰ সহায়ত জটিল হৃদৰোগৰ অস্ত্ৰোপচাৰ সম্পন্ন হোৱাটো অসমৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ বাবে এক উল্লেখযোগ্য অগ্ৰগতি হিচাপে বিবেচিত হৈছে। এই উপলক্ষে ২৫ ছেপ্তেম্বৰৰ পৰা ২৬ ছেপ্তেম্বৰলৈ চি এন কেন্দ্ৰত কাৰ্ডিয়াক ৰ'বটিক অস্ত্ৰোপচাৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত উপস্থিত থাকি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে ৰাজ্যৰ স্বাস্থ্যখণ্ডত অত্যাধুনিক প্ৰযুক্তিৰ সংযোজনৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। স্বাস্থ্যমন্ত্ৰী সিংহলে কয় যে অসমৰ স্বাস্থ্যসেৱা ব্যৱস্থাক আধুনিক আৰু অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে চাৰে বিশেষ বিশেষ ও গুৰুত্ব দি আহিছে। অত্যাধুনিক ( তিনিপৃষ্ঠাত চাওক)

# মহানগৰীৰ হোমষ্টেত গুৱাহাটী

দামপুৰীয়া চুবাৰ ২৬ বছৰীয়া আছিক আলী । উল্লেখ্য যে পেছাত ৰংমিস্ত্ৰী আৰু ভাৰাতীয়া গাড়ীচালক হিচাপে কৰ্মৰত আলীয়ে সুৰা আৰু ড্ৰাগছ ব্যৱসায়ৰ সৈতেও জড়িত থকাৰ অভিযোগ উঠিছে। প্ৰাপ্ত তথ্য অনুসৰি দীৰ্ঘদিন ধৰি আছিক আলীৰ সৈতে প্ৰেমৰ সম্পৰ্ক আছিল নিমিষা ঠাকুৰীয়াৰ। পৰিয়ালৰ সূত্ৰ অনুসৰি, কালি সন্ধিয়া প্ৰায় ৫ বজাত নিমিষা বান্ধৱীৰ সৈতে 'খাবলৈ যাম' বুলি কৈ ঘৰৰ পৰা ওলাই গৈছিল। যুৱতীগৰাকীৰ পিতৃ দীপ ঠাকুৰীয়াই সদৰী কৰা মতে, দুদিন আগৰে পৰা বান্ধৱীৰ সৈতে ৰেষ্টুৰেণ্টত খাবলৈ যাম বুলি পিতৃক অৱগত কৰি দুহেজাৰ টকা বিচাৰিছিল। সেই মতে কন্যাৰ আব্দাৰত ভোল যোৱা পিতৃয়েও সকলো কথা বিশ্বাস কৰি কন্যাই বিচৰা মতে ধন আদায় দিছিল। অৱশ্যে কালি ঘৰৰ পৰা ওলাই যোৱাৰ পৰত নিশা পলম হ'লে বান্ধৱীৰ সৈতে হোষ্টেলত থাকিম বুলিও পিতৃক অৱগত কৰিছিল নিমিষাই। সেইমৰ্মে পৰিয়ালেও নিমিষাৰ কথাত বিশ্বাস কৰি কোনো চিন্তা কৰা নাছিল যদিও নিশা প্ৰায় ২.১৫ বজাত তেওঁ মাতৃলৈ এক অসহায় ফোন কৰে। মাতৃৰ ম'বাইলত নিমিষাই ফোন কৰি সেই সময়ত কোনো লোকে তেওঁৰ বুকুত গুৰিয়াইছে বুলি কোৱাৰ লগতে উশাহ ল'ব পৰা নাছিল বুলি অৱগত কৰে। তাৰ পাছত বহুবাৰ পৰিয়ালে নিমিষাক যোগাযোগৰ চেষ্টা চলাইছিল যদিও ফোনটো বন্ধ হৈছিল। পিতৃ দীপ ঠাকুৰীয়াই জনোৱা মতে, ফোনটো অহাৰ সময়ত তাত কেইবাজনো যুৱকৰ কথোপকথন শুনিবলৈ পাইছিল। ইয়াৰ পাছতে অকণো পলম নকৰাকৈ পৰিয়ালে আজাৰা থানাত শুকুৰবাৰে নিশাই সমগ্ৰ বিষয়টো অৱগত কৰে। পিতৃয়ে সদৰী কৰা অনুসৰি আৰক্ষীয়ে তেওঁলোকক গড়ল হাস্পতাললৈ যাবলৈ কোৱাত তেওঁলোকে তাত উপস্থিত হৈ নিমিষাক অক্সিজেন দি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। লগে লগে উন্নত চিকিৎসাৰ বাবে যুৱতীগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ অনা হয় যদিও চিকিৎসকে তেওঁৰ মৃত্যু হোৱা বুলি পৰিয়ালক অৱগত কৰে। উল্লেখযোগ্য যে দণ্ডাধীশৰ উপস্থিতিত প্ৰস্তুত কৰা ইনকুৱেষ্ট ৰিপ'ৰ্টত এই মৃত্যু সন্দৰ্ভত বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। ৰিপ'ৰ্ট অনুসৰি, মৃত ছাত্ৰীগৰাকীৰ মুখমণ্ডল, মূৰ, হাত, বুকু আৰু গোপন অংগত গুৰুতৰ আঘাতৰ স্পষ্ট চিন পোৱা গৈছে। এই তথ্য পোহৰলৈ অহাৰ পাছতে ঘটনাটো পৰিকল্পিত হত্যাকাণ্ড হ'ব পাৰে বুলি সন্দেহ ঘনীভূত হৈছে। পৰিয়ালক বান্ধৱীৰ সৈতে ৰেষ্টুৰেণ্টত খাবলৈ যাম বুলি কৈ ঘৰৰ পৰা ওলাই অহা নিমিষা ঠাকুৰীয়াই বান্ধবীৰ সৈতে ৰেষ্টুৰেণ্টত মিলিত হৈছিল নে নাই, সেয়া পোহৰলৈ এতিয়ালৈ অহা নাই যদিও আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, কালি নিশা প্ৰায় ৮.১৯ বজাত নিমিষা ঠাকুৰীয়াই প্ৰেমিক আছিক আলীৰ সৈতে গড়লৰ ৰুদ্ৰাছ কিটচেন নামৰ হোমষ্টেটোত প্ৰবেশ কৰিছিল। হোমষ্টেটোৰ ১০নং ৰুমত প্ৰৱেশ কৰিয়ে প্ৰেমিক যুগলে এসাঁজ ভাত আৰু লগত কণীৰ তৰকাৰী অৰ্ডাৰ দিছিল। সেইমতে হোমষ্টেটোৰ কৰ্মচাৰীয়ে তেওঁলোকক পানীৰ বটল, দুটা গিলাচসহ অৰ্ডাৰ কৰা খাদ্যখিনি দি আহিছিল। নিশা প্ৰায় ২ বজাত আছিক আলীয়ে হোমষ্টেৰ ৰান্ধনিক দুৱাৰত ঢকিয়াই জগাইছিল। ইয়াৰ পাছত জোন নামৰ এজন লোকে ফোন কৰি এম্বুলেঞ্চ মাতি আনে আৰু নিশা ৩ বজাত যুৱতীগৰাকীক চিকিৎসালয়লৈ নিয়া হয়। সেই সময়ত লগত আছিল প্ৰেমকি আছিক আলী। ইতিমধ্যে আৰক্ষীয়ে ঘটনাৰ মূল অভিযুক্ত আছিক আলীক নিশাই গড়ল চিকিৎসালয়ৰ পৰাই আটক কৰে। জেৰাত আছিকে নিমিষাই চিপ লৈ আত্মহত্যা কৰা বুলি দাবী কৰিছে যদিও আৰক্ষীয়ে এই দাবী নস্যাৎ কৰিছে। আনহাতে, হোমষ্টেৰ গৰাকী জয়ন্ত সাথীকো আৰক্ষীয়ে আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। আৰক্ষীয়ে হোমষ্টেৰ পঞ্জীয়ন বহী, চি চি টি ভি ফুটেজ আৰু নিমিষাৰ ম'বাইল ফ'ন জব্দ কৰিছে। অৱশ্যে হোমষ্টেটোৰ প্ৰকৃত স্বত্বাধিকাৰী জনৈক শৰ্মা উপাধিৰ এগৰাকী লোক বুলি জানিব পৰা গৈছে। জিএমচিএইচত যুৱতীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পৰিয়ালক মৃতদেহ চমজাই দিয়া হয়। সূত্ৰটোৱে জনোৱা অনুসৰি যুৱতীগৰাকীৰ দেহৰ মুখমণ্ডলৰ পৰা আৰম্ভ কৰি বিভিন্ন অংশত গুৰুতৰ আঘাতৰ চিহ্ন থকাৰ লগতে গুপ্তাংগতো বৃহৎ আঘাতৰ চিন আছিল। অৱশ্যে সম্পূৰ্ণ ঘটনাটো হত্যাকাণ্ড বুলি আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধানত নিশ্চিত হৈছে যদিও এয়া গণধৰ্ষণ নে নৃশংস হত্যাকাণ্ড সেয়া মৰণোত্তৰ পৰীক্ষাৰ সম্পূৰ্ণ প্ৰতিবেদন অহাৰ পাছতহে স্পষ্ট হ'ব বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। আনহাতে, আজাৰা আৰক্ষীয়ে ধাৰাপুৰৰ নিমিষা ঠাকুৰীয়াৰ মৃত্যুৰ প্ৰাৰম্ভিক তদন্তৰ অন্তত ধাৰাপুৰৰ আজাৰাৰ ৰুদ্ৰা'ছ কিচেন হোমষ্টে ছীল কৰে। আৰক্ষী উপ-আযুক্ত বলিন দেউৰীয়ে কয় যে আৰক্ষীয়ে হোমষ্টেৰ ৰেকৰ্ড আৰু নিমিষা আৰু তেওঁৰ প্ৰেমিক আছিক আলীয়ে কি পৰিস্থিতিত থাকিছিল সেই বিষয়ে পৰীক্ষা কৰি আছে। আৰক্ষীৰ মতে, এমাহত প্ৰায় পাঁচবাৰকৈ এই হোমষ্টেলৈ গৈছিল নিমিষা আৰু আচিক। তদন্ত সন্দৰ্ভত দেউৰীয়ে কয় যে প্ৰয়োজন হ'লে হোমষ্টেত থকা সকলোকে গ্ৰেপ্তাৰ কৰা হ'ব।

# ভুৰবন্ধাত দেৱাশিস শৰ্মাৰ

শৰ্মাৰ সবল নেতৃত্বত অসম এতিয়া বহু আগুৱাই গৈছে। ৰাজ্যত আমূল পৰিৱৰ্তন ঘটিছে। অসমৰ পিছপৰা সকলো জাতি-জনগোষ্ঠীক আগুৱাই নিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি ৰাজ্যখন উদ্যোগীকৰণৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰিছে। আইএমডিটি আইন বাতিল হোৱাত গঠন কৰা এআইইউডিএফ সাম্প্ৰদায়িক দলক ভোট দিয়াৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনোৱাৰ লগতে নগাঁও লোকসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাক এইবাৰ বিপুল ভোটত জয়যুক্ত কৰিবলৈ সভাপতি অতুল বৰাই ৰাইজক আহ্বান জনায়। কেন্দ্ৰীয় সাধাৰণ সম্পাদক শান্তনু শৰ্মাই আঁতধৰা নিৰ্বাচনী সভাত মন্ত্ৰী তথা দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত চৰকাৰে উন্নয়নৰ গতি দ্ৰুতগতিত আগবাঢ়িছে বুলি উল্লেখ কৰাৰ উপৰি ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাক বিপুল ভোটত জয়যুক্ত কৰি সকলোকে উন্নয়ন ক্ষেত্ৰত হাত উজান দিবলৈ আহ্বান জনায়। নিৰ্বাচনী সভাত সাংসদ ফণীভূষণ চৌধুৰীয়ে ভাষণত কয় যে- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত উন্নয়নৰ জয়যাত্ৰা অব্যাহত আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী দেৱাশিস শৰ্মাক জয়যুক্ত কৰি হাত অধিক শক্তিশালী কৰিবলৈ সাংসদ ফণীভূষণ চৌধুৰীয়ে ৰাইজক আহ্বান জনায়। নিৰ্বাচনী সভাত অগপৰ যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি জিতু বুঢ়াগোহাঁই, সাধাৰণ সম্পাদক গৌতম বৰা, অসম গণ পৰিষদৰ মুখপাত্ৰ কস্তুৰী চুটিয়া, মৰিগাঁও জিলা অগপৰ সভাপতি ৰাজেন বৰা, সম্পাদক বিজয় নাথ, অসম মহিলা পৰিষদৰ সভানেত্ৰী পূৰৱী তালুকদাৰ, অসম গণ পৰিষদৰ কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্য, জিলা অগপ নেতা চম্পেশ্বৰ বৰদলৈ প্ৰমুখ্যে বিষয় ববীয়াসকলে অংশগ্ৰহণ কৰে।

সম্পাদকীয় শিতান.... দেৱাশীষ গোস্বামী, নগাঁও

# And The Credit Goes To.....

হয়, আমিবোৰে Credit লৈ বৰ ভাল পাওঁ। ভাল কামৰ বাবে আনে প্ৰশংসা কৰাৰ লগে লগে আমাৰ বুকুখন ফুলি উঠে। কোনো এটা ভাল সফল কামৰ পিছত 'একমাত্ৰ ইয়াৰ, এখেতৰ বাবেই, এইজনেই Main' আদি শব্দ বোৰে Repeatedly ভাল কাম কৰি Credit অৰ ওপৰত Credit ল'বলৈ আমাক উৎসাহ যোগায়। কোনো এটা ভাল কামৰ Credit লোৱাৰ মজাই বেলেগ।

আমাৰ মাজতে আকৌ এনে এচাম মানুহ আছে যাৰ যি কোনো সফল কাম এটাৰ Credit লোৱাৰ কোনো Intension য়েই নাথাকে। লোকচক্ষুৰ আঁৰত ভাল কাম সমূহ Continue কৰি যায়। প্ৰচাৰ বিমুখ এচামে পৰ্দাৰ আঁৰৰ পৰাই ভাল ভাল কামবোৰৰ সফল ৰূপায়ন কৰি থাকে।

যেনেদৰে ৰাতি থাকিলে দিন থাকিবই, ৰ'দ থাকিলে বৰষুণ থাকিবই, সুখ থাকিলে দুখ থাকিবই, থিক তেনেদৰে ভাল থাকিলে বেয়া থাকিবই। আমাৰ সমাজত এনেকুৱা কিছুমান 'ফৰিং' আছে, যি বোৰে যতে ততে যি কোনো বিষয়ত জপিয়াই পৰেগৈ। 'মান না মান, মে তেৰা মেহমান' ৰ দৰে যি কোনো বিষয়েই নহওঁক কিয় মুৰ গুজি ফুৰেগৈ। উদ্দেশ্য হকে বিহকে Credit লোৱা। দুখ লাগে তেতিয়া, যেতিয়া আপুনি, মই সফল বাবে ৰূপায়ন কৰা ভাল কামৰ Credit আনে লয়। মনৰতা আজি শূণ্যত বিলিনৰ দিনত 'খাই পাত ফলা মানুহ' তেনেই Available। আনে কৰা ভাল কামৰ Credit থপিয়াই আনি, আনৰ পিঠাৰে বিহু পাতি, নিজ নিজ স্বাৰ্থ পূৰণৰ অঘোষিত প্ৰতিযোগীতা। ঘৰতে হাত সাবতি বহি নাথাকি হাতে কামে লাগি কোনো কামত আগুৱাই যাঁওতে মানুহ হিচাপে মাজে মধ্যে ভুল হোৱাটো স্বাভাবিক। এই খিনিতেই লাগে কেনা। ভুল স্বীকাৰ কৰিবলৈ ৰাজী নহয়। ভাল কামৰ Credit ল'বলৈ Anytime Ready হৈ থকা সকলেই ভুল বা বেয়া কাম এটা কৰি মুৰ পোলোকা মাৰে, নিজে কৰা ভুল বা দোষ আনলৈ ঠেলে, Responsibility লবলৈ কোনো কাৰণতে Agree নহয়।

আহকচোন আমি সকলোৱে সুন্দৰ আৰু সফল ভাৱে ভাল ভাল কাম কৰি আনৰ মুখৰ পৰা নিজৰ নিজৰ নাম সমূহ এইদৰে Repeatedly শুনিয়েই যেন থাকো-And the The Credit Goes To....

# নিমিষা মৃত্যুৰ ন্যায় বিচাৰি বিভিন্ন দল-সংগঠনৰ তীব্ৰ প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ গুৱাহাটীত লাভ জেহাদৰ বলি হৈ পাষণ্ড প্ৰেমিক আছিক আলীৰ হাতত মৃত্যু হোৱা নিমিষা ঠাকুৰীয়া হত্যাকাণ্ডৰ মূল অভিযুক্ত আছিক আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছৰে পৰা সচেতন ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। এই জঘন্য অপৰাধৰ বাবে একাংশ ৰাইজে অভিযুক্তৰ বিৰুদ্ধে কঠোৰতম শাস্তি তথা এনকাউণ্টাৰৰ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে শনিবাৰে পুৱা হত্যাকাণ্ডৰ খবৰ বিয়পি পৰাৰ পাছতে ধাৰাপুৰ অঞ্চলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। নৃশংস হত্যাকাণ্ডৰ উচিত বিচাৰ আৰু দোষীক কঠোৰতম শাস্তিৰ দাবীত ধাৰাপুৰবাসী ৰাইজৰ লগতে মহিলা সমাজ, ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে গড়লৰ ৰাজপথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ৰাইজে লাভ জেহাদ বন্ধ কৰাৰ লগতে হত্যাকাৰীক এনকাউণ্টাৰ কৰিবলৈ চৰকাৰক দাবী জনায়। একাংশ উত্তেজিত প্ৰতিবাদকাৰীয়ে কয় যে লাভ জেহাদৰ বিষয়ে আমি শুনি আছিলোঁ। আজি দেখাও পালোঁ। হিন্দু যুৱতীক মিঞাই ফুচুলাই তেওঁলোকৰ কৰি ল'ব বিচাৰে আৰু এয়া কৰিব নোৱাৰিলে টাৰ্গেট কৰি লয়। লাভ জেহাদ এনেকৈ শিপাইছে যে ধাৰাপুৰৰ দৰে এখন ভিতৰুৱা গাঁৱৰ এগৰাকী উচ্চ শিক্ষিত যুৱতী আজি ধ্বংস হৈ গ'ল। চৰকাৰে এই সন্দৰ্ভত চৰম পন্থা গ্ৰহণ কৰিব লাগে। আন একাংশ লোকৰ মতে, হত্যাকাৰী আছিক আলীক এনকাউণ্টাৰ বা ফাঁচি দিয়াৰ ব্যৱস্থা চৰকাৰে ল'ব লাগে। তেওঁলোকে কয় যে পৰিকল্পিতভাবে হিন্দু যুৱতীক জালত পেলাই হত্যা কৰি হিন্দু সমাজখনক ধ্বংস কৰিবলৈ একাংশ মিঞাই উঠিপৰি লাগিছে। এনে অপৰাধীৰ জীয়াই থকাৰ কোনো অধিকাৰ নাই বুলি দল-সংগঠনসমূহে মুকলিভাৱে ঘোষণা কৰে।

# Siliguri Chapter of ICSI holds Teachers' Conference 2026




SILIGURI, RB News: The Siliguri Chapter of EIRC of The Institute of Company Secretaries of India (ICSI) organised the ICSI Teachers' Conference 2026 for University and College Teachers on Saturday, 26th September 2026 at The Hotel Cindrella, Siliguri. The Conference brought together members of the academic fraternity for interaction with ICSI representatives, focusing on professional education, contemporary compliance matters, career opportunities and holistic well-being. Dr Minakshi Chakraborty, Principal, KGT Mahavidyalaya, Bagdogra, was the Chief Guest. CA and CS Simran Saria Bansal spoke on "GST Returns and Compliance," offering insights into the current GST compliance framework. Shri Gurdeep Singh, Faculty at Art of Living, addressed the gathering on "The Art of Mental Peace," stressing the importance of mental well-being and balance in personal and professional life. CS (Dr) Pintu Prasad Jaiswal, Programme Director and Immediate Former Chairman of the Siliguri Chapter of EIRC-ICSI, delivered the welcome address and spoke on "Career as a Company Secretary," outlining opportunities in the profession and the role of educators in guiding students towards it. Teachers from various Universities and Colleges were felicitated for their contribution to commerce education. CS Vineet Kumar Agarwal, Chapter Secretary, and CS Nitin Gupta, Former Chairman and Managing Committee Member, Siliguri Chapter of EIRC of The ICSI were also present, along with other members of the academic and professional fraternity. CS student Ms. Krishika Surana coordinated the programme, with Ms. Khushi Kumari Gupta, Ms. Palak Sinha, Mr. Bhole Chettri, Mr. Tilak Mishra, Mr. CA Yadhu Krishna and other student volunteers assisting. The Siliguri Chapter thanked the Chief Guest, Speakers, Teachers, Members and Volunteers for making the event successful.

# জুবিন গাৰ্গক লৈ অৱজ্ঞাসূচক মন্তব্য নকৰিব লৈ সকীয়নি আছুৰ

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গ হত্যাৰ গোচৰত ফাষ্টট্ৰেক আদালতত সাক্ষ্য দিবলৈ এজনৰ পিছত এজন ছিংগাপুৰৰ প্ৰবাসী অসমীয়া আহি উপস্থিত হৈছে। পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী, দেৱজিৎ হাজৰিকা, জিঅ' নাৰ্জাৰী আৰু প্ৰতিম লহকৰৰ পিছত ছিংগাপুৰৰ অসম এছ'চিয়েচনৰ বিষয়ববীয়া অভিমন্যু তালুকদাৰেও ইতিমধ্যে ফাষ্টট্ৰেক আদালতত সাক্ষ্য প্ৰদান কৰাৰ লগতে গোচৰৰ তদন্ত কৰি থকা এজনীয় তদন্ত আয়োগৰ ওচৰতো সাক্ষ্য লিপিবদ্ধ কৰে। সাক্ষ্যদানৰ পিছতে সংবাদ মাধ্যমৰ আগত জুবিন গাৰ্গ সম্পৰ্কত আৰু ছিংগাপুৰত সংঘটিত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুক লৈ অভিমন্যু তালুকদাৰে কৰা কেতবোৰ অৱজ্ঞাসূচক মন্তব্যই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে সংবাদ মাধ্যমৰ আগত অভিমন্যু তালুকদাৰে জুবিন গাৰ্গক লগ পোৱাৰ পূৰ্বে তেওঁৰ বিষয়ে ভালকৈ জনাই নাছিল বুলি মন্তব্য কৰিছিল। কেৱল ইমানেই নহয়, অভিমন্যু তালুকদাৰে জুবিন গাৰ্গৰ অসুখ থকাৰ কথাটোও দুৰ্ঘটনা হোৱাৰ পিছতহে গম পাইছিল বুলি প্ৰকাশ কৰিছিল। সংবাদ মাধ্যমৰ আগত অভিমন্যু তালুকদাৰে জিতুল

(দহ পৃষ্ঠাত চাওক)

# জিএমচিএইচত ৰ'বটিক

প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ৰাজ্যৰ জনসাধাৰণক উন্নত চিকিৎসা সেৱা আৰু চিকিৎসালয়ত ৰ'বটিক হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰৰ আৰম্ভণি সেই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁ লগতে কয় যে চিকিৎসা বিজ্ঞানৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে খাপ খুৱাই ৰাজ্যৰ চিকিৎসা প্ৰতিষ্ঠানসমূহতো অত্যাধুনিক প্ৰযুক্তিৰ সংযোজন কৰা প্ৰয়োজন। এনে প্ৰযুক্তি আৰু বিশেষজ্ঞ চিকিৎসকৰ জ্ঞান-দক্ষতাৰ সমন্বয়ে অসমৰ ৰোগীসকলক উন্নত চিকিৎসা সেৱা প্ৰদানৰ ক্ষেত্ৰত নতুন সুযোগ সৃষ্টি কৰিব। ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ এই অগ্ৰগতিয়ে ভৱিষ্যতে বিভিন্ন জটিল চিকিৎসা ক্ষেত্ৰতো নতুন সম্ভাৱনাৰ সৃষ্টি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। দেশৰ প্ৰখ্যাত হৃদৰোগৰ শল্য চিকিৎসক তথা অসমৰ প্ৰথমগৰাকী ৰ'বটিক হৃদযন্ত্ৰ অস্ত্ৰোপচাৰ বিশেষজ্ঞ ডাঃ ঋত্বিক ৰাজ ভূঞাই কৰ্মশালাখনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ হৃদৰোগ বিশেষজ্ঞ তথা চিকিৎসকসকলক ৰ'বটিক অস্ত্ৰোপচাৰৰ বিভিন্ন দিশ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। এই কৰ্মশালাৰ জৰিয়তে চিকিৎসকসকলক ৰ'বটিক প্ৰযুক্তিৰ ব্যৱহাৰ, অস্ত্ৰোপচাৰৰ কৌশল আৰু আধুনিক কাৰ্ডিয়াক শল্য চিকিৎসাৰ বিভিন্ন দিশৰ সৈতে পৰিচিত কৰোৱা হয়। কৰ্মশালাখনত ডাঃ ঋত্বিক ৰাজ ভূঞাৰ লগতে চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ বাবুল বেজবৰুৱা, অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰী আদিকে ধৰি কেইবাগৰাকীও চিকিৎসক আৰু স্বাস্থ্যকৰ্মী উপস্থিত থাকে। উল্লেখ্য যে ডাঃ ঋত্বিক ৰাজ ভূঞাই বিগত ২৭ বছৰে অষ্ট্ৰেলিয়া, মানচেষ্টাৰ আৰু দিল্লীকে ধৰি বিভিন্ন আগশাৰীৰ চিকিৎসালয়ত হৃদৰোগৰ শল্য চিকিৎসক হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ বৰ্তমান নতুন দিল্লীৰ ওখলাস্থিত ফ'টিছ এছক'টছ হাস্পতালৰ প্ৰাপ্তবয়স্ক হৃদৰোগ শল্য চিকিৎসা বিভাগৰ সঞ্চালক হিচাপে কৰ্মৰত।

# নগাঁৱত হাৰিলে ১০০ বছৰলৈ শাসনলৈ নাহে কংগ্ৰেছঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও লোক সভা সমষ্টিৰ উপ-নিৰ্বাচনত কংগ্ৰেছ হাৰিলে দলটো এশ বছৰলৈ অসমত শাসনলৈ নাহে।এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কংগ্ৰেছে আগন্তুক উপ-নিৰ্বাচনত পৰাস্ত হ'লে আগন্তুক ১০০ বছৰলৈ নগাঁও লোকসভাৰ আসনৰ আওতাৰ বাহিৰত থাকিব পাৰে বুলি মন্তব্য কৰাৰ লগতে বিজেপিয়ে ধৰ্মীয় সীমাৰেখাৰ বাহিৰত জনতাৰ সমৰ্থন বিচাৰিছে বুলিও দৃঢ়তাৰে কয়। এক সমাৰেশত ভাষণ প্ৰদান কৰি ড° শৰ্মাই কয় যে নগাঁও জিকিব লাগিব, আৰু দাবী কৰে যে বিগত নিৰ্বাচনত 'মিঞা' ভোটাৰৰ এটা অংশই বিজেপিক সমৰ্থন কৰিছিল। বিজেপিয়ে হিন্দু-মুছলমান ৰাজনীতি নকৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২৬ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত সংখ্যালঘুৰ যথেষ্ট সমৰ্থন লাভ কৰিছিল বিজেপিয়ে। ড° শৰ্মাই লগতে কয় যে বিজেপিয়ে 'মিঞা' সম্প্ৰদায়ৰ বিৰোধিতা কৰা নাই, বৰঞ্চ বাল্যবিবাহ আৰু বহুবিবাহৰ দৰে প্ৰথাৰ বিৰোধিতা কৰিছে। নগাঁও লোকসভা সমষ্টিত হিন্দু ভোটাৰৰ সংখ্যা ৩.৫ লাখতকৈ অধিক।

# এয়া কেৱল এক উদ্দেশ্যপ্ৰণোদিত অপপ্ৰচাৰঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- নিৰ্বাচন আয়োগে সংবিধানৰ সুস্পষ্ট গণ্ডীৰ ভিতৰত থাকি সহমত অথবা সংখ্যাগৰিষ্ঠ মতৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰে। সেয়ে মুখ্য নিৰ্বাচন আয়ুক্তক লক্ষ্য কৰি চলোৱা আক্ৰমণ যুক্তিসংগত সমালোচনা নহয়, এয়া কেৱল এক উদ্দেশ্যপ্ৰণোদিত অপপ্ৰচাৰ। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। দিছপুৰস্থিত লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকৰ অন্তত সম্বোধন কৰা সংবাদমেলত দেশৰ নিৰ্বাচন আয়োগৰ বিতৰ্ক সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। উল্লেখ্য যে দেশৰ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে 'দ্য ইণ্ডিয়ান এ'প্ৰেছে'ত প্ৰকাশ কৰা বাতৰিয়ে সমগ্ৰ দেশতে জোকাৰণিৰ সৃষ্টি কৰিছে। ৰাজনৈতিক মহলতো এই বিষয়টোক লৈ ব্যাপক বিতৰ্ক দেখা গৈছে। দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু দুই নিৰ্বাচন আয়ুক্ত ক্ৰমে সুখবীৰ সিং সন্ধু আৰু নিৰ্বাচন আয়ুক্ত বিবেক যোশীৰ মাজত এছআইআৰ প্ৰক্ৰিয়া নিৰীক্ষণ সন্দৰ্ভত সহমত নোহোৱাকে কিছুমান কাৰ্যকলাপ চলি আছে বুলি ইংৰাজী কাকতখনে এক বাতৰি প্ৰকাশ কৰিছিল। এছআইআৰ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে গঠন কৰা ৩ জনীয়া সমিতিত আছিল মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু দুই নিৰ্বাচন আয়ুক্ত ক্ৰমে সুখবীৰ সিং সন্ধু আৰু নিৰ্বাচন আয়ুক্ত বিবেক যোশী। 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ



প্ৰতিবেদন

(নপৃষ্ঠাত চাওক)

# অক্টোবৰত ১৫০০ টকাকৈ পাব ‘অৰুণোদয়’ৰ ধন

ৰঙিলী বাৰ্তাসেৱা- বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কেবিনেট বৈঠক অনুষ্ঠিত হয় । অৰুণোদয়ৰ ধন বৃদ্ধি, সকাহ, ঔদ্যোগিক খণ্ডক সমৰ্থনেৰে ৰাজ্যিক কেবিনেটে গ্ৰহণ কৰিলে এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত। কেবিনেটে অক্টোবৰ মাহত অৰুণোদয় হিতাধিকাৰীৰ বাবে আগবঢ়ালে পূজাৰ উপহাৰ। কেবিনেটে অৰুণোদয় হিতাধিকাৰীক অক্টোবৰ মাহত ১, ২৫০ টকাৰ পৰিৱৰ্তে ১, ৫০০ টকাকৈ দিয়াৰ সিদ্ধান্তগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেবিনেট সিদ্ধান্ত সলনি কৰি এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়- দুৰ্গাপূজা উপলক্ষে চৰকাৰে অৰুণোদয় হিতাধিকাৰীসকলক অক্টোবৰ মাহত ১, ৫০০ টকাকৈ দিয়াৰ বাবে আজি সিদ্ধান্ত গ্ৰহণ কৰে। সাধাৰণতে অৰুণোদয় হিতাধিকাৰীসকলে প্ৰতিমাহে ১, ২৫০ টকাকৈ লাভ কৰে। দুৰ্গাপূজা উদযাপনৰ বাবে অক্টোবৰ মাহৰ ধনৰাশি ১, ৫০০ টকাকৈ বৃদ্ধি কৰি মুকলি কৰি দিয়া হ’ব। অৰুণোদয় মাতৃসকলৰ বাবে এয়া হ’ব পূজাৰ উপহাৰ। অক্টোবৰ মাহৰ পৰৱৰ্তী মাহসমূহত পূৰ্বৰ দৰেই অৰুণোদয়ৰ ধন ১, ২৫০ টকাই থাকিব। অৱশ্যে অহা এপ্ৰিল মাহত ব’হাগ বিহু উপলক্ষে আন এক উপহাৰ দিয়াৰ ব্যৱস্থা কৰা হ’ব। কেবিনেট সিদ্ধান্ত সলনি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে কেবিনেটে অক্টোবৰ মাহৰ বাবে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলক প্ৰতি কিলোগ্ৰামত ৩০ টকা হাৰত ৰাজসাহায্যযুক্ত চেনি যোগান ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত অক্টোবৰ মাহত হিতাধিকাৰীসকলে এক কেজিকৈ মচুৰ দাইল আৰু চেনি ১০০ টকাতে লাভ কৰিব। পূৰ্বে চেনি আৰু দাইলৰ মূল্য ১০৫ টকা নিৰ্ধাৰণ কৰা হৈছিল যদিও চেনিৰ মূল্য হ্ৰাস পোৱা বাবে হিতাধিকাৰীসকলে এতিয়া সুলভ মূল্যৰ দোকানৰ পৰা ১০০ টকাতে এক কেজি চেনি আৰু দাইল লাভ কৰিব। ৰাজ্যিক কেবিনেটে মুঠ ৭৯৬.৮৮ কোটি টকা ব্যয়সাপেক্ষে অসম বহনক্ষম জলাহভূমি আৰু সংহত মীনপালন ৰূপান্তৰ (এছডব্লিউআইএফটি) প্ৰকল্প ৰূপায়ণত অনুমোদন জনায়। মুঠ ব্যয়ৰ ভিতৰত এছিয়ান ডেভেলপমেন্ট বেংকৰ ঋণৰ পৰিমাণ ৬৩৭.৫০৪ কোটি টকা আৰু অসম চৰকাৰৰ অংশ হ’ব ১৫৯.৩৭৬ কোটি টকা। এই প্ৰকল্পৰ অধীনত অতি কমেও ১০২টা পৰিত্যক্ত সামূহিক বিলৰ (দহ পৃষ্ঠাত চাওক)




# মুম্বাইত এছবিআইৰ বেংকিং-অৰ্থনৈতিক সম্মিলনত অংশগ্ৰহণ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা




ৰঙিলী বাৰ্তাসেৱা- মুম্বাইৰ তাজমহল পেলেচ হোটেলত অনুষ্ঠিত ১৩ সংখ্যক এছ বি আই বেংকিং আৰু অৰ্থনৈতিক সম্মিলনত অসম চৰকাৰৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে, অসমৰ বিত্তীয় আৰু ঔদ্যোগিক উন্নয়নৰ দিশসমূহ এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় মঞ্চত দাঙি ধৰাৰ বাবে তেওঁ ইয়াত অসম চৰকাৰক প্ৰতিনিধিত্ব কৰে। কনক্লেভত অংশ গ্ৰহণ কৰি বৰুৱাই কয় অসমে নিজৰ পৰম্পৰাগত অৰ্থনৈতিক শক্তি চাহ, পেট্ৰ’লিয়াম আৰু কৃষিৰ বাহিৰেও সম্প্ৰসাৰণ কৰি ছেমিকণ্ডাক্টৰ, ইলেক্ট্ৰনিকছ, খাদ্য প্ৰক্ৰিয়াকৰণ, পৰ্যটন, ল’জিষ্টিক, নবীকৰণযোগ্য শক্তি, স্বাস্থ্যসেৱা, মহাকাশ আৰু ডিফেন্সৰ মাজেৰে বিকাশৰ নতুন পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে । মন্ত্ৰী বৰুৱাই কয়, অসমৰ ঔদ্যোগীকৰণৰ সকলোতকৈ ডাঙৰ সম্পদ হৈছে মানৱ সম্পদ আৰু এইবাবেই অসম আজি বিনিয়োগৰ বাবে সকলোৰে আকৰ্ষণৰ স্থল হৈ পৰিছে । মন্ত্ৰীগৰাকীয়ে কয় যে অসমত গুণগত কৰ্মসংস্থাপনৰ আকাংক্ষা বৃদ্ধি পোৱাৰ ফলত যুৱক আৰু দক্ষ লোকৰ সংখ্যা বৃদ্ধি পাইছে। তেওঁ কয় যে ৰাজ্যৰ ঔদ্যোগীকৰণ কৌশল সেয়েহে অসমৰ ভিতৰত যুৱক-যুৱতীসকলৰ বাবে সুযোগ সৃষ্টিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত । মন্ত্ৰীগৰাকীয়ে কয়, আমাৰ ল’ৰা-ছোৱালীয়ে কৰ্মসংস্থাপনৰ বাবে বেংগালুৰুলৈ যোৱাৰ পৰিৱৰ্তে ঘৰতে থাকিব পাৰিব লাগে, ইয়াত কাম কৰিব পাৰিব লাগে আৰু ইয়াত উপাৰ্জন কৰিব পাৰিব লাগে । এই অনুষ্ঠানত অংশগ্ৰহণ কৰি জয়ন্ত মল্ল বৰুৱাই মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত হোৱা পৰিৱৰ্তনৰ প্ৰসংগত মন্তব্য কৰে। মন্ত্ৰী বৰুৱাই কয়, ছেমিকণ্ডাক্টৰৰ পৰা ষ্টাৰ্টআপ অৰ্থনীতিলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে নিত্যনতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। ব্যৱসায় অনুকূল সংস্কাৰ একক খিৰিকী অনুমোদন ব্যৱস্থা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বই অসমত এই পৰিৱৰ্তনক ত্বৰান্বিত কৰিছে। অসমত উদ্যোগ আৰু বিনিয়োগৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিকশিত অসম নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ দিশত এক দৃঢ় পদক্ষেপ। মানৱ সম্পদ অসমত উদ্যোগীকৰণৰ মুখ্য চালিকাশক্তি। (দহ পৃষ্ঠাত চাওক)

# ডিজিটেল প্ৰকাশন ‘ব্ৰাত্য’ৰ মাধ্যমেৰে উন্নাভৰ জোনাকী মেলসহ চাৰিখন গ্ৰন্থ উন্মোচন

ৰঙিলী বাৰ্তাসেৱা- ‘উন্নাভ গোষ্ঠী’ৰ উদ্যোগত অনলাইন মাধ্যমেৰে এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাত শিশু আলোচনী ‘জোনাকী মেল’, উন্নাভ শিলিগুড়িৰ ‘প্ৰীতিৰ সুবাসে’, উন্নাভ নুমলীগড়ৰ ‘দেওশিল’ আৰু উন্নাভ গোলাঘাটৰ কাব্য সংখ্যা ‘নিৰৱধি’ উন্মোচন কৰা হয়। উন্নাভৰ মুখ্য সম্পাদক মৃদুস্মিতা শৰ্মাই উপস্থিত সকলোকে আদৰণি জনাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। উন্নাভ শৰাইঘাটৰ সম্পাদক, বিশিষ্ট লেখিকা মণিৰূপা মিশ্ৰৰ দ্বাৰা সঞ্চালিত, অনলাইন মাধ্যমেৰে অনুষ্ঠিত অনুষ্ঠানটোত উন্নাভ




লখিমপুৰৰ সম্পাদক বিশিষ্ট কবি, সাহিত্যিক পংকজ সভাপণ্ডিতে উন্নাভৰ জন্মৰ পৰা বৰ্তমানলৈকে অগ্ৰগতিৰ বিষয়ে বক্তব্য প্ৰদান কৰি সভাখন উদ্বোধন কৰে। মৃদুস্মিতা শৰ্মাৰ দ্বাৰা সম্পাদিত শিশু আলোচনী ‘জোনাকী মেল’ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক পাৰিজাত বৰুৱাই। আলোচনীখন উন্মোচন কৰি তেওঁ (নপৃষ্ঠাত চাওক)

# দুৰ্গা পূজাৰ বাবে ৫দিন বন্ধ পাব চৰকাৰী কৰ্মচাৰীয়ে

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যিক চৰকাৰী কৰ্মচাৰীৰ বাবে সুখবৰ। শাৰদীয় দুৰ্গাপূজা উপলক্ষে ৰাজ্যিক কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলক প্ৰদান কৰিলে এক বিশেষ উপহাৰ। এইবাৰ দুৰ্গাপূজাত ৫ দিন বন্ধ পাব ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীয়ে। বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেটে এই সন্দৰ্ভত এক বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিলে। এই অনুসৰি ইতিমধ্যে অধিসূচীত পূজাত আন চাৰিটা বন্ধ দিনৰ উপৰি ১৭ অক্টোবৰ দিনটো দুৰ্গাপূজাৰ বন্ধৰ দিন হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত লয় কেবিনেটে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সবিশেষ প্ৰকাশ কৰি কয়- এইবাৰ দুৰ্গাপূজাৰ বন্ধত যদিও দেওবাৰ পৰিছে কেবিনেটে দুৰ্গাপূজাৰ কাৰণে ১৭অ’ক্টোবৰৰ দিনটো অতিৰিক্তভাৱে বন্ধ ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি ১৭ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ চৰকাৰী কৰ্মচাৰীসকলে বন্ধ পাব।

# দুৰ্গাপূজাত ২০% বোনাছ পাব চাহ নিগমৰ বাগিচাৰ শ্ৰমিকে



ৰঙিলী বাৰ্তাসেৱা- অসম চাহ নিগমৰ অধীনস্থ বাগিচাসমূহৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলে এইবাৰ দুৰ্গাপূজাত ২০% বোনাছ লাভ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসম চাহ নিগমৰ অধীনস্থ ২৫৯খন চাহ বাগিচাৰ শ্ৰমিকক দুৰ্গাপূজাত ২০ শতাংশ বোনাছ প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে। ৰাজ্যিক কেবিনেটে এইমৰ্মে আছাম টী কৰ্প’ৰেচন লিমিটেড (এটিচিএল) ৰ বাগিচাসমূহৰ যোগ্য শ্ৰমিক আৰু কৰ্মচাৰীসকলক ২০ শতাংশ বোনাছ (নপৃষ্ঠাত চাওক)

# অসমৰ প্ৰভাৰী হিচাপে মংগল পাণ্ডেক নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰায়বিলাক ৰাজ্যৰে সলনি হৈছে বিজেপিৰ প্ৰভাৰী। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বৃহৎ সাংগঠনিক অংশস্বৰূপে বিজেপিয়ে অসমসহ ৩৬খন ৰাজ্যৰ ৰাজ্যিক প্ৰভাৰী আৰু সহঃপ্ৰভাৰী নতুনকৈ নিযুক্তি দিছে। সেই অনুসৰি অসমত বিজেপিৰ নতুন প্ৰভাৰী হিচাপে নিযুক্তি দিছে মংগল পাণ্ডেক। আনহাতে সহঃপ্ৰভাৰীৰ দায়িত্বত থাকিব ফাংন'ন কন্যাক আৰু মনোজ তিপ্পা। ইফালে বিজেপিৰ শিলচৰৰ প্ৰাক্তন সাংসদ ডাঃ ৰাজদীপ ৰয়ক মণিপুৰৰ প্ৰভাৰীৰ দায়িত্ব দিয়াৰ বিপৰীতে ৰাজ্যসভাৰ ( নপৃষ্ঠাত চাওক)

# ঝাৰখণ্ডৰ দেওঘৰত হাস্পতাল উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ দেওঘৰত ৭৫০ বিছনাযুক্ত অত্যাধুনিক বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতাল শুভ উদ্বোধন কৰে। ৭৫০ বিছনাযুক্ত এই অত্যাধুনিক হাস্পতালে অঞ্চলটোৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। বাবা বৈদ্যনাথলৈ শ্ৰদ্ধা নিবেদন কৰি আৰম্ভ কৰা ভাষণত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট আৰু পিডি হিন্দুজা হাস্পতাল এণ্ড মেডিকেল ৰিছাৰ্চ চেণ্টাৰৰ যৌথ উদ্যোগত দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতালখন আৰম্ভ কৰা হৈছে। ইয়াত পৰৱৰ্তী সময়ত মেডিকেল কলেজো নিৰ্মাণ কৰা হ'ব। হাস্পতালখনে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক চিকিৎসা সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ঝাৰখণ্ডৰ দেওঘৰ আৰু গোড্ডাত হোৱা উন্নয়ন প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে অঞ্চলটোত বিমানবন্দৰ, এইমছ, ৰে'লপথ, ৰিং ৰোড সকলো হৈছে। সাংসদ নিশিকান্ত ডুবেৰ নেতৃত্বত গোড্ডা সমষ্টিত হোৱা উন্নয়নে সমগ্ৰ দেশৰ বাবে নজিৰ সৃষ্টি কৰিছে। বিকাশৰ এই ধাৰা অব্যাহত ৰাখি আজি সমষ্টিটোত আন এখন ডাঙৰ চিকিৎসালয় আৰম্ভ হৈছে। ২০০৬ চনৰ পৰা প্ৰায় ১৫ বছৰকাল অসমৰ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব পালনৰ অভিজ্ঞ তাৰ ভিত্তিত তেওঁ মন্তব্য কৰে যে এখন হাস্পতালৰ সফলতাৰ আঁৰত হাস্পতালখনৰ স্থাপত্যৰো গুৰুত্বপূৰ্ণ ভূমিকা থাকে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰা হাস্পতালখনত আই চি ইউ, কৰিড'ৰ, জৰুৰীকালীন ইউনিট, সাধাৰণ ( নপৃষ্ঠাত চাওক)

# কাগজবিহীন হ'ব অসমৰ চৰকাৰী কাৰ্যালয়

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰে ২০২৭ চনৰ পহিলা জানুৱাৰীৰ ভিতৰত ৰাজ্যৰ সকলো চৰকাৰী কাৰ্যালয় কাগজবিহীন 'ই-অফিচ' (e-Office)ব্যৱস্থালৈ ৰূপান্তৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰ জৰিয়তে প্ৰশাসনিক প্ৰক্ৰিয়াসমূহ ডিজিটেল কৰাৰ চলি থকা প্ৰচেষ্টাক আৰু অধিক সম্প্ৰসাৰণ কৰা হ'ব। এই কথা সদৰী কৰি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা সামাজিক মাধ্যমযোগে কোৱা হয় যে প্ৰশাসনিক সংস্কাৰক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী ডঃ ( নপৃষ্ঠাত চাওক)

# জন্মদিনত বিশ্বজিৎ বৈশ্যৰ অভিনীত ভিডিঅ' গীত মুকলি




ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ বংশৰত উদীয়মান অভিনেতা তথা নৃত্য কৰিঅ'গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যৰ জন্মদিন উপলক্ষে তেওঁৰ নিজে অভিনয় কৰা নতুন ভিডিঅ গীত মন- ময়ুৰী মুকলি কৰা হয়। মুকলি কৰে, ছবি নিৰ্মাতা, সাংস্কৃতিক কৰ্মী হেমন্ত কলিতাই। এম.এন.প্ৰডাকচনৰ বেনাৰত নিৰ্মিত গীতৰ কণ্ঠ , কথা, সুৰ- ৰাজ মহিম নাথৰ, সংগীত পৰিচালনা- উমেশ নাথৰ, মিক্সিং- মুকুল বৰদলৈৰ। গীতটোৰ নৃত্য কৰিঅ'গ্ৰাফী বিশ্বজিৎ বৈশ্যৰ আৰু ভিডিঅ পৰিচালনা প্ৰাণজিত দাসৰ।অভিনয় কৰিছে, বিশ্বজিৎ বৈশ্য, ভাস্কৰ ভৰালী আৰু ৰাগিণীয়ে। কামৰূপৰ বিভিন্ন মনোমোহা লোকেচনত চিত্ৰ গ্ৰহণ কৰা হয়। ভিডিঅ টোত প্ৰেম, সংগীত, সপোনৰ অনুভূতিৰে সজোৱা "মন- ময়ুৰী" ৰ জৰিয়তে বিশ্বজিৎ বৈশ্যই অভিনয়ৰ লগতে নৃত্য কৰিঅ'গ্ৰাফীৰ ক্ষেত্ৰতো নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে।নিজৰ জন্মদিনটোত, নিজৰ ঘৰতে নিজে অভিনয় কৰা গীত মুকলি হোৱাটো বিশ্বজিৎ বৈশ্যৰ বাবে এক বিশেষ আৰু স্মৰণীয় মুহূৰ্ত হিচাপে পৰিগণিত হৈছে। উক্ত অনুষ্ঠানত উপস্থিত থাকে, সংগীত শিল্পী নিলাধৰ নাথ, কণ্ঠ শিল্পী ৰাজ মহিম নাথ, বিশ্বজিৎ বৈশ্য, ভাস্কৰ ভৰালী, কৌতুক অভিনেতা, ইউটিউবাৰ প্ৰাণজিত দাস, নয়ন মণি দাস আদি। গীতটোৰে দৰ্শক ৰাইজৰ মৰম লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে, এম. এন. প্ৰডাকচনৰ সমগ্ৰ টিমে।

# নিৰ্বাচন আয়োগৰ সমৰ্থনত মুখ্যমন্ত্ৰী ডঃ শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্ৰকাশ পোৱা এক বাতৰিয়ে সমগ্ৰ দেশতে জোঁকাৰণিৰ সৃষ্টি কৰিছে।ৰাজনৈতিক মহলতো এই বিষয়টোক লৈ ব্যাপক বিতৰ্ক দেখা গৈছে। দেশজুৰি সৃষ্টি হোৱা বিতৰ্কৰ মাজতে সমগ্ৰ বিষয়টো সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। নিৰ্বাচন আয়োগত সৃষ্টি হোৱা সংঘাতক লৈ বিৰোধীয়ে কৰি অহা বিভিন্ন মন্তব্যৰ বিৰুদ্ধে আয়োগৰ সমৰ্থনত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়- নিৰ্বাচন আয়োগে ধুনীয়াকৈ কাম কৰি আছে, আয়োগ সম্পূৰ্ণ শুদ্ধ। গতিকে আয়োগৰ ওপৰত মন্তব্য কৰা উচিত নহয়। ঝাৰখণ্ডত সংবাদ মাধ্যমে উত্থাপন কৰা বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়- নিৰ্বাচন আয়োগ হ'ল সাংবিধানিক সংস্থা। ইয়াৰ এক নিজা গাঁথনি আছে। গতিকে ইয়াৰ ওপৰত বক্তব্য আগবঢ়োৱা উচিত নহয়। ( নপৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিলৈ বানপীড়িত লোকৰ সহায়ৰ বাবে ভৰতীয় জীৱন বীমা নিগমৰ এক কোটি টকাৰ সাহায্য



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যখনত শেহতীয়াকৈ হোৱা বানপানীত সৰ্বহাৰা হোৱা লোকসকলৰ সহায়ৰ বাবে ভাৰতীয় জীৱন বীমা নিগম চমুকৈ এল আই চিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১(এক) কোটি টকাৰ অনুদান আগবঢ়াইছে। এই অনুদানৰ চেক অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পণ কৰা হয়। চেক বিতৰণ অনুষ্ঠানত ভাৰতীয় জীৱন বীমা নিগমৰ ক্ষেত্ৰীয় প্ৰবন্ধক আশুতোষ কুমাৰ, যোৰহাট মণ্ডলৰ মণ্ডলিক প্ৰবন্ধক জয়দীপ ঠাকুৰ আৰু গুৱাহাটী মণ্ডলৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে। এই সাহায্যৰাশি ভাৰতীয় জীৱন বীমা নিগমৰ স্বৰ্ণ জয়ন্তী ফাউণ্ডেচনৰ অধীনত প্ৰদান কৰা হয়। এই সহযোগিতাৰ মূল উদ্দেশ্য হৈছে যোৱা জুলাই মাহত উজনি অসমৰ বিভিন্ন ঠাইত সংঘটিত হোৱা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সহায় আৰু পুনৰ সংস্থাপনৰ কাম-কাজত সহযোগিতা আগবঢ়োৱা। উল্লেখযোগ্য যে, ভাৰতীয় জীৱন বীমা নিগমে অলপতে অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়লৈও ৪.৬৭ (চাৰি কোটি সাতষষ্ঠী) লাখ টকাৰ অনুদান আগবঢ়াইছে। এই পদক্ষেপৰ জৰিয়তে ভাৰতীয় জীৱন বীমা নিগমে সমাজৰ প্ৰতি নিজৰ সামাজিক দায়বদ্ধতা আৰু দুৰ্যোগৰ সময়ত জনসাধাৰণৰ কাষত থকাৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰিছে বুলি জানিব দিয়ে।

# কিতাপ পঢ়াৰ অভ্যাস, লিখাৰ মাদকতা আৰু শব্দৰ অমৰত্ব



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

কিতাপ পঢ়া কেনেকুৱা এটা অভ্যাস? এই প্ৰশ্নটোৰ উত্তৰ মানুহভেদে বেলেগ বেলেগ হ'ব পাৰে। আচলতে আমি যেতিয়া স্কুল বা কলেজত পঢ়ি আছিলোঁ, আমাৰ একমাত্ৰ লক্ষ্য আছিল পাঠ্যক্ৰমৰ কিতাপসমূহ সোনকালে পঢ়ি শেষ কৰা, পৰীক্ষা দিয়া আৰু এটা ভাল ফলাফল দেখুওৱা। সেই সময়ত আমাৰ বাবে 'পঢ়া' মানেই আছিল কেৱল পৰীক্ষাৰ বাবে সাজু হোৱা। আজৰি সময়ত কেতিয়াবা হয়তো মনোৰঞ্জন বা সময় পাৰ কৰিবলৈ বাতৰি কাকত বা আলোচনী একোখন পঢ়া হৈছিল, কিন্তু তাক কোনো গভীৰ জ্ঞান অৰ্জনৰ উদ্দেশ্যে কৰা হোৱা নাছিল।

অৱশ্যে সকলোৰে ক্ষেত্ৰত এই কথাটো নিমিলে। কিছুমানৰ আকৌ নিজৰ পাঠ্যক্ৰমৰ উপৰিও অন্য বহুতো বিষয়ৰ কিতাপ পঢ়া, কিতাপ কিনা বা বিভিন্ন লাইব্ৰেৰীলৈ গৈ পঢ়াৰ এক সুকীয়া নিচা থাকে। তেওঁলোকৰ বাবে পঢ়াটো কেৱল পৰীক্ষাৰ মাধ্যম নহয়, বৰঞ্চ এক আত্মিক খোৰাক।

মোৰ নিজৰ ধাৰণা এই যে, পঢ়িবলৈ বহুত ধৈৰ্য্যৰ প্ৰয়োজন হয়। আনকি মোৰ মতে, লিখিবলৈ যিমান সহজ, পঢ়িবলৈ তাতকৈ বহু বেছি টান। অন্য এজন মানুহে লিখা কথাবোৰ পঢ়ি, তাৰ পৰা বিভিন্ন জ্ঞান বুটলি, আকৌ তাৰ ওপৰত ভিত্তি কৰি নতুনকৈ কিবা এটা লিখাটো অতিশয় জটিল প্ৰক্ৰিয়া। তাৰ বিপৰীতে, নিজৰ বাস্তৱ অভিজ্ঞতা আৰু নিজৰ মনৰ ধাৰণাক ভিত্তি কৰি লিখাটো বৰ বেছি কঠিন নহয়। বৰঞ্চ নিজৰ অনুভৱক কলমৰূপ দিয়াৰ যি মাদকতা, সেয়া অত্যন্ত আনন্দদায়ক।

পৰিতাপৰ কথা যে, বহুতো মানুহৰ পঢ়া বা লিখাৰ এই নিচাটো কেৱল স্কুল-কলেজৰ দিনতেই সমাপ্ত হৈ পৰে। যিজনে স্কুলীয়া বা কলেজীয়া দিনবোৰত অতি সুন্দৰকৈ লিখা-মেলা কৰিছিল, সময়ৰ সোঁতত তেওঁলোকৰ সেই মানসিকতা ক'ৰবাত হেৰাই যায়। জীৱনৰ কৰ্মব্যস্ততা বা বিভিন্ন জটিল পৰিস্থিতিৰ বাবে তেওঁলোকৰ সৃষ্টিশীলতা থমকি ৰয়। কিন্তু ইয়াৰ মাজতো কিছুমান ব্যতিক্ৰমী মানুহ থাকে। হাজাৰ কৰ্মৰ তাগিদা বা প্ৰতিকূল পৰিস্থিতিয়েও তেওঁলোকৰ কলমৰ গতি কেতিয়াও ৰুদ্ধ কৰিব নোৱাৰে। লেখক হোৱাৰ যাত্ৰাটো যদিও বহু ক্ষেত্ৰত জটিল, তথাপিও নিয়মিত লিখাৰ অভ্যাস কৰিলে ই লাহে লাহে মানুহৰ স্বভাৱত পৰিণত হয়। কিন্তু কিতাপ পঢ়াৰ যি গভীৰ অভ্যাস, সেয়া ইমান সহজে গঢ়ি নুঠে।

ইয়াৰ লগতে নিজৰ লিখাবোৰ সযতনে সংৰক্ষণ কৰি ৰখাটোও এটা অতি ভাল অভ্যাস। নিজৰ সৃষ্টিসমূহ যদি কেতিয়াবা বাতৰি কাকত, আলোচনী বা বিভিন্ন স্মৃতিগ্ৰন্থত প্ৰকাশ পায়, তেন্তে সেইবোৰ জীৱনৰ বাবে একো একোটা মিঠা আৰু উৎসাহজনক স্মৃতি হৈ পৰে। ইয়াৰ জৰিয়তে লিখনীসমূহে সমাজত এখন ধুনীয়া আসন বা স্বীকৃতিও লাভ কৰে। লিখাবোৰ হয়তো খুব উচ্চ পৰ্যায়ৰ সাহিত্য বা বহুত উচ্চ

( সাত পৃষ্ঠাত চাওক)

# সপোনে পাখি মেলাৰ দিন



**ৰিমী হাজৰিকা, মাজুলী**

পুৱাৰ ঠিক আঠ বাজিছে। জিমি সাজু হৈছে তাইৰ কৰ্মস্থলী লৈ, বৰ্তমান তাই এখন নাম জ্বলা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা। ৰাজনীতি বিজ্ঞান বিভাগত অধ্যয়ন কৰাৰ পৰাই তাইৰ মনত পোখা মেলিছিল অধ্যাপিকা হোৱাৰ সপোন। আপোন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত সেই সপোনে যেন আৰু অধিক পাখি মেলিছিল। স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰি থকাৰ পৰাই তাই এই সপোন পূৰণৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলায় গৈছিল। বহু বাধা, বহু অপেক্ষা আৰু অসংখ্য প্ৰত্যাহ্বান অতিক্ৰম কৰি যথা সময়ত তাই উচ্চশিক্ষা সম্পূৰ্ণ কৰি এই পদৰ বাবে আবেদন কৰিছিল। অৱশেষত সেই অপেক্ষাৰ অন্ত পৰিল। আজি তাইৰ কৰ্মজীৱনৰ প্ৰথম দিন।

সেইবাবেই পুৱাৰে পৰা তাইৰ মনটো থৌকি-বাথৌকি লাগিছে। আনন্দ, উত্তেজনা আৰু অলপ অজানিত ভয় এই সকলোবোৰ অনুভূতিয়ে যেন একেলগে মনত ভিৰ কৰিছে। আইনাখনৰ সন্মুখত এবাৰ নিজকে চাই তাই মিচিকিয়াই হাঁহিলে। এয়া কেৱল তাইৰ বাবে কৰ্মজীৱনৰ প্ৰথম দিন নহয়; এয়া তাইৰ বহু বছৰৰ সাধনা আৰু সপোনে বাস্তৱৰ ৰূপ লোৱা দিন।

তাইৰ কামত সহায় কৰি দিছে সুজাতাই। সুজাতা তাইৰ সহকৰ্মী, কিন্তু প্ৰথম দেখাতেই তাইৰ সৈতে এক আত্মীয়তাসুলভ সম্পৰ্ক গঢ় লৈ উঠিছিল।

ঃ "জিমি, ইমানকৈ কি নো চিন্তা কৰি আছা ? সকলো ঠিকেই হ'ব চাবা, " সুজাতাই হাঁহি হাঁহি ক'লে।

ঃ জিমিয়ে মৃদু হাঁহি মাৰি ক'লে- "জানো, সকলো ঠিকেই হ'ব। তথাপি মনটো অলপ অস্থিৰ লাগিছে। ইমানদিনে যিটো সপোন দেখিছিলোঁ, আজি সেই সপোনৰ সন্মুখত থিয় হৈছোঁ।"

ঃ সুজাতাই তাইৰ কান্ধত হাত থৈ ক'লে- "সপোন দেখিবলৈ সাহস কৰা মানুহেহে এদিন সেই সপোনক বাস্তৱ কৰিব পাৰে। তুমি সেইটো কৰি দেখুৱাইছা। এতিয়া কেৱল আগুৱাই যোৱা।"

সুজাতাৰ কথাখিনিয়ে জিমিৰ মনটো যেন পাতল কৰি দিলে। তাই গভীৰভাৱে উশাহ এটা লৈ বিশ্ববিদ্যালয়ৰ বিশাল প্ৰৱেশদ্বাৰখনৰ ফালে আগবাঢ়িল।

প্ৰথমবাৰৰ বাবে অধ্যাপিকাৰ পৰিচয় লৈ তাই শ্ৰেণীকোঠাত প্ৰৱেশ কৰিলে। সন্মুখত বহি থকা ছাত্ৰ-ছাত্ৰীসকলৰ কৌতুহলী চকুবোৰ তাইৰ ওপৰত নিবদ্ধ হৈ পৰিল। ক্ষণিকৰ বাবে তাইৰ মনত নিজৰ ছাত্ৰজীৱনৰ দিনবোৰ ভাঁহি উঠিল-সেই সৰু কোঠাটো, পুৰণি কিতাপবোৰ, পৰীক্ষাৰ আগৰ ৰাতিবোৰ আৰু অধ্যাপিকা হোৱাৰ সেই সৰু সৰু সপোনবোৰ।

আজি সেই সপোনবোৰেই তাইৰ সন্মুখত বাস্তৱ হৈ থিয় দিছে। তাই প্ৰথমে নিজৰ পৰিচয়টো দিলে আৰু ছাত্ৰ-ছাত্ৰী সকলৰ লগত চিনাকি হ'ল। তাৰ পাছত

(বাৰপৃষ্ঠাত চাওক)

# এখন ধুনীয়া ছবি



**ৰুমী কলিতা দত্ত, ডিব্ৰুগড়**

এই যে ধুনীয়া ধুনীয়া ছবিবোৰ দেখিছা
মই আচলতে তেনেকুৱা নহয়
আমাৰ দৰে মানুহে কৃত্ৰিম প্ৰলেপ সানি
নসজাই নিজৰ দেহা।
সেই যে দেখিছা ৰূপৱতী নাৰী
সেইগৰাকী মই নহ'বও পাৰোঁ
শৰীৰৰ অংগবোৰ সজাই পৰাই
চহকী নগৰত ভুমুকি মৰাৰ বৃথা চেষ্টা
তথাপিও মন যায় দিয়া...।
মুখত যদিও দেখিছা মিচিকি হাঁহি
বুকুৰ ভিতৰখন হ'বতো পাৰে
অসহ্য যন্ত্ৰণাত থকা-সৰকা !
হাঁহিবোৰ মোৰ মুখৰ মুখা,
যিয়ে ঢাকি ৰাখে
অন্তৰৰ ভাঙি পৰা শব্দবোৰৰ শিখা ।
কেতিয়াবা আটাইতকৈ উজ্জ্বল ছবিৰ
পিছফালে লুকাই থাকে আন্ধাৰ কাহিনী।
মানুহে কেৱল ৰংবোৰহে দেখে,
ৰং সানি লোৱা বিষাদৰ
সিক্ত বুকুখন কোনেও নেদেখে ।
বাহিৰৰ কৃত্ৰিম পোহৰে
বুকুৰ ভিতৰৰ নিজান অন্ধকাৰখিনিক
কেতিয়াও ঢাকিব নোৱাৰে,
সজাই থোৱা ৰূপটো সঁচা নহ'বও পাৰে
নীৰৱে চকুৰ পানী নিগৰিব ধৰে ।
অকাৰণ হাঁহিৰ আঁৰত থাকিব পাৰে
অসহ্য যন্ত্ৰণাৰ নিঃশব্দ চিঞৰ
পৃথিৱীক দেখুৱাবলৈ ৰূপৰ মেলা
অথচ নিজৰ ওচৰতেই
আমি নিঃস্ব আৰু অকলশৰীয়া।

# শিশুৰ মানসিক বিকাশত বাতৰি কাকতৰ অৱদান

অতীতৰ পৰাই শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত বাতৰি কাকতে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।"আজিৰ শিশু, কাইলৈৰ ভৱিষ্যৎ" অৰ্থাৎ আজিৰ প্ৰতি জন শিশু আগন্তুক দিনৰ দেশৰ একো একোজন বিশিষ্ট ব্যক্তি ৰূপে গঢ় লৈ উঠিব । সেইয়ে শিশুৰ বিকাশৰ ক্ষেত্ৰত পৰিয়াল, বিদ্যালয়, সমাজ লগতে সংবাদ মাধ্যমে এক বিশেষ ভূমিকা পালন কৰাটো অত্যন্তই প্ৰয়োজনীয়। এখন উন্নত, শিক্ষিত আৰু সচেতন পূৰ্ণ সমাজ গঢ়ি তুলিবলৈ হ'লে শিশুসকলৰ মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিবই লাগিব। আজিৰ ডিজিটেল যুগত মোবাইল ফোন, সামাজিক মাধ্যম আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ বহুগুণে বৃদ্ধি পাই আহিছে যদিও বাতৰি কাকতৰ মূল্য আৰু প্ৰয়োজনীয়তা এতিয়াও হ্ৰাস পোৱা নাই। বৰং, সুস্থ তথ্য আৰু নিৰ্ভৰযোগ্য জ্ঞান আহৰণৰ ক্ষেত্ৰত বাতৰি কাকত এতিয়াও অন্যতম গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে পৰিগণিত হৈ আছে।



প্ৰতি জন শিশুৰ ক্ষেত্ৰত ক'ব পাৰি যে নিয়মিতভাৱে বাতৰি কাকত পঢ়িলে তেওঁলোকৰ শব্দ জ্ঞান বৃদ্ধি পায়, পঢ়াৰ অভ্যাস গঢ়ি উঠে, চিন্তাশক্তি, বহু নতুন শব্দ, বাক্য গঠন আৰু ভাষাৰ শুদ্ধ ব্যৱহাৰ শিকে যাৰ ফলত তেওঁলোকৰ উচ্চাৰণ, লিখনী শক্তি আৰু কথোপকথনৰ দক্ষতা বৃদ্ধি পায় আৰু বিশ্লেষণাত্মক ক্ষমতাৰ বিকাশ ঘটে। লগতে, ই তেওঁলোকক সাধাৰণ জ্ঞান অৰ্জন কৰাত আৰু বিশ্বৰ বাতৰি সংগ্ৰহ কৰাৰ ক্ষেত্ৰতো সজাগ কৰি তোলে অৰ্থাৎ ই এক জীৱন্ত শিক্ষকৰ দৰে কাম কৰে। নিয়মিতভাৱে বাতৰি কাকত পঢ়া শিশুৱে সমাজ, দেশ আৰু বিশ্বৰ বিভিন্ন বিষয়ৰ সৈতে পৰিচিত হোৱাৰ এক সুবৰ্ণ সুযোগ লাভ কৰে। ইয়াৰোপৰি মাতৃভাষাৰ বাতৰি কাকত পঢ়িলে ভাষাটোৰ প্ৰতি ভালপোৱা জন্মে আৰু সাহিত্য-সংস্কৃতিৰ সৈতে আত্মিক সম্পৰ্ক গঢ় লৈ উঠে। আনহাতে, হিন্দী-ইংৰাজী বা আন ভাষাৰ কাকত পঢ়িলে বহুভাষিক জ্ঞানৰো বিকাশ ঘটে। ভাষা জ্ঞানৰ এই উন্নতিয়ে শিশুৰ শিক্ষাজীৱন আৰু ভৱিষ্যৎ পেছাগত জীৱনত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। সৰুৰে পৰা গঢ়ি উঠা এই অভ্যাসে ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ সহায় কৰে।

আজিৰ এই আধুনিক যুগত কেৱল পাঠ্যপুথিৰ জ্ঞানেই যথেষ্ট নহয়, যুক্তিবাদী চিন্তা আৰু বিশ্লেষণ ক্ষমতাৰো বিশেষ প্ৰয়োজন। সেইয়ে প্ৰতি গৰাকী শিশুক বাতৰি কাকত পঢ়িবলৈ উৎসাহিত কৰিবলৈ অভিভাৱকসকলে প্ৰথমে তেওঁলোকৰ বাবে উপযুক্ত শিতান যেনে খেল-ধেমালিৰ পৃষ্ঠা, কাৰ্টুন আদি বিষয়সমূহ নিৰ্বাচন কৰি দিব লাগে, ইয়াৰ দ্বাৰা শিশুৱে আনন্দ পোৱাৰ লগতে তেওঁৰ মননশীলতাৰো সৰ্বাত্মক বিকাশ ঘটে। বাতৰি কাকত হৈছে সাধাৰণ জ্ঞানৰ এক বিশাল ভাণ্ডাৰ। বিদ্যালয়ৰ পাঠ্যপুথিৰ জ্ঞান সীমিত হ'লেও বাতৰি কাকতে শিশুসকলক বাস্তৱ জগতৰ বিভিন্ন ঘটনা আৰু পৰিস্থিতিৰ সৈতে পৰিচিত কৰায়। দেশ-বিদেশৰ ৰাজনীতি, বিজ্ঞান- প্ৰযুক্তি, স্বাস্থ্য, কৃষি, পৰিৱেশ, খেল-ধেমালি, সংস্কৃতি, ইতিহাস আদি বিভিন্ন বিষয়ৰ খবৰ পঢ়ি শিশুৱে বহুমুখী জ্ঞান লাভ কৰে। ইয়াৰ ফলত তেওঁলোকৰ মানসিক পৰিসৰ বিস্তৃত হয় আৰু বিশ্ব দৃষ্টিভংগী গঢ়ি উঠে। বিভিন্ন ঘটনা বা সমস্যাৰ বিষয়ে পঢ়ি শিশুৱে নিজাকৈ ভাবিবলৈ শিকে আৰু এইবোৰ বিষয়ত তেওঁলোকৰ মন সক্ৰিয় হৈ উঠে। ফলত শিশুৰ যুক্তিবোধ, সিদ্ধান্ত গ্ৰহণ ক্ষমতা আৰু সমালোচনামূলক চিন্তাধাৰাৰ বিকাশ ঘটে। সাধাৰণতে শিশুৰ শিতানত গল্প, কবিতা, কুইজ, বিজ্ঞানভিত্তিক লেখা, চিত্ৰাংকন প্ৰতিযোগিতা আদি থাকে, যিবোৰে শিশুৰ মনোৰঞ্জনৰ লগতে বৌদ্ধিক বিকাশতো সহায় কৰে। কিছুমান শিশুৱে নিজৰ লেখা বা চিত্ৰ প্ৰকাশ কৰাৰ সুযোগ পাই আত্মবিশ্বাস লাভ কৰে। এই আত্মবিশ্বাসেই তেওঁলোকক আগলৈ সৃষ্টিশীল ব্যক্তি হিচাপে আগবঢ়াই নিয়ে।

শংকৰ দেৱ, দেৰগাঁও

আগলৈ...

## অবাটত ভোকৰ বাট



হৰেন কপ্তাক,ধেমাজি

অৰ্ধগলিত এটি শৰীৰ,
চামৰাসদৃশ এটি পিঠিৰ ছাল।
ৰ'দ পোৱা দেহাত
কল্পনাতীত সপোন এটি জাগে,
মলিয়ন পোছাকতেই
বিচাৰি পায় সৌন্দৰ্যৰ ফুল।
চেণ্ডেলবিহীন উকা ভৰিৰ খোজ,
খৰখেদা গতিত আগবাঢ়ে-
কেৱল এমুঠি ভাতৰ সন্ধানত
ভোকবোৰ লুকাই থাকে
জমাদাৰ চাহাবৰ প্ৰক্ষালন কক্ষ কিম্বা বাৰীৰ চুকত
বিয়াহ-সবাহৰ কাঁহীপাত সিহঁতৰ বাবে আহাৰপাত্ৰ
আমি হাত দিয়া মানেই চোৱাপাতনি
চিনাকীবোৰক অচিনাকী কৰি
অন্ধ, বধিৰৰ পোছাকত থাকিলেহে কাম চলে হাতত
কাৰোবাৰ অবাটে আমাৰ বাবে বাট হৈ পৰে
অন্যথা আকাশৰ তৰা নজ্বলে,
পূৰ্ণিমাৰ জোনৰো জোনাক নাহে,
কলমলাই থকা ভোকবোৰ এমুঠি ভাতৰ বাট হেৰুৱায়

## চহকী

নাজমিনা মজিদ, ধুবুৰী



চহকী শ্ৰেণীৰ মানুহবোৰৰ ভিতৰত নিজকেও সেই শ্ৰেণীটোৰ অন্তৰ্ভুক্ত কৰে সদায় আকাশ নামৰ ল'ৰা জনে । অথচ তেওঁ বিলাসি ভাৱেও নচলে । বহুতে আচৰিত হয় কেতিয়াবা, সি সঁচাই চহকী নে?? আকাশৰ মতে চহকীৰ সংজ্ঞা অলপ ব্যতিক্ৰম । তেওঁৰ সংজ্ঞাত তেওঁ দাঙি ধৰে, "মই চহকী, কাৰণ মোৰ এটা সপোন এটা আছে"। সপোনটো লাহে-লাহে যিমানেই ডাঙৰ হৈ আছে, তেওঁ সিমানেই চহকী হৈ আছে বুলি দাবী কৰে ।

## কিতাপ পঢ়াৰ অভ্যাস, লিখাৰ

মানদণ্ডৰ নহ'বও পাৰে, তথাপিও নিজৰ এই লিখা অভ্যাসটো সদায় ধৰি ৰাখিব লাগে। কাৰণ, যিকোনো লিখনিত আটাইতকৈ জৰুৰী কথাটো হৈছে- 'আত্মসন্তুষ্টি'। কিবা এটা লিখাৰ পিছত প্ৰথমতে সেই লিখনীটোক নিজৰ অন্তৰ আত্মাই পছন্দ কৰিব লাগিব। যেতিয়া নিজৰ মনটোৱে সেই লিখনিৰ মাজত আনন্দ বিচাৰি পাব, তাৰ পিছতহে ই আন এজন পাঠকৰ ৰুচিবোধৰ বিষয় হৈ পৰিব পাৰে।

জীৱনৰ যিকোনো মুহূৰ্ততে অলপ হ'লেও আজৰি সময় পালে আমি সকলোৱে অলপ লিখাৰ অভ্যাস কৰা উচিত। কাৰণ নিজৰ লিখনী হৈছে নিজৰ আত্মাৰ একো একোখন লিখিত দলিল। আমাৰ এই শৰীৰটো এদিন নোহোৱা হৈ যাব, কিন্তু এই লিখিত হৈ থকা শব্দবোৰ, এই লিপিকাবোৰ সদায় জীয়াই থাকিব। মনৰ ভাল-বেয়া অভিজ্ঞতা বা বাস্তৱ জীৱনৰ হাঁহি-কান্দোনবোৰক হৃদয়ত অংকন কৰি যেতিয়া কবিতা, প্ৰবন্ধ, গল্প বা অন্য কিবা সাহিত্যৰ ৰূপত শব্দ-লিপি সজাই যোৱা হয়, তেতিয়াই সেই লিখনীবোৰে প্ৰকৃত প্ৰাণ পাই উঠে।

সেয়েহে, সময়, সুবিধা আৰু পৰিস্থিতি সাপেক্ষে মই সদায় লিখি যোৱাৰ এক দৃঢ় প্ৰতিজ্ঞা বুকুত বান্ধিছোঁ আৰু এই প্ৰয়াস মই সদায় কৰি যাম। মোৰ এই লিখনী সমাজত কিমান গ্ৰহণযোগ্য হ'ব- সেয়া মোৰ প্ৰথম বিচাৰ্য বা চিন্তাৰ বিষয় নহয়। বৰঞ্চ মোৰ লিখনী বা কবিতাটি যে মোৰ অন্তৰ আত্মাৰ গভীৰৰ পৰা নিগৰি ওলাইছে আৰু সি যে সম্পূৰ্ণ বাস্তৱসন্মত হৈছে, তাৰ মাজতেই মই মোৰ আচল আনন্দ আৰু সাৰ্থকতা বিচাৰি পাওঁ।

# শেষ বুলিলেইটো শেষ নহয় আকৌ আৰম্ভ হয় শেষ নহয়



**নমিতা দাস, শুৱালকুছি**

শব্দৰ খনিকৰ, কণ্ঠ-সুৰৰ যাদুকৰ, প্ৰকৃতি প্ৰেমী, ভাৰতৰ সাংস্কৃতিক ক্ষেত্ৰখনত অসমৰ শিল্প সংস্কৃতিক লৈ গৌৰৱ কৰিব পৰাকৈ পৰিচয় কৰাই দিয়া মহান শিল্পী সকলৰ মাজত জুবিন গাৰ্গো হৈছে আন এজন অন্যতম শিল্পী ।যাক ঈশ্বৰ পুত্ৰ বুলি মুখে মুখে প্ৰচাৰিত ।অসমৰ সাংস্কৃতিক জগতত ভোটা তৰা হৈ আকৌ এবাৰ বিশ্ব বাসীৰ লগত অসম খনক পৰিচয় কৰাই গৌৰৱবোধ কৰাইছিল । শিল্পী সুৰৰ যাদুগৰ জুবিন গাৰ্গ আজি বিশ্ব সংগীত জগতৰে এক চিনাকি নাম ।

কপিল ঠাকুৰে ৰাতিপুৱাৰ চাৰি বজাৰ নিৰ্মল বতাহ চাতি ঘৰৰ ভিতৰত সোমাবলৈ যেতিয়া খিৰিকি খন খুলি দিছিল তেতিয়া ঘৰৰ সদস্য সকলে আপত্তি কৰিলেও তেওঁ বিশ্বাস কৰে জুবিন গাৰ্গ হোৱাটো সেইটোও এক কাৰণ।

পিতৃৰ দৃষ্টিত তেওঁৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰা এখন যেন কাব্য । নিৰঅহংকাৰী নিজৰ সফলতা আৰু কীৰ্তিৰ বিষয়ে কেতিয়াও কথা নপতা আনক সহায় কৰি ভাল পোৱা শিশু সুলভ স্বভাবৰ কৰ্ণৰ দৰে যেন দানবীৰ আছিল তেওঁ । যথেষ্ঠ অধ্যায়ন শীল। তেওঁৰ প্ৰিয় গ্ৰন্থ আছিল চাৰ্লি চেপলিনৰ আত্ম জীৱনী। ভাল কিতাপ পালেই তেওঁ তৎক্ষণাত আনি নিজেও পঢ়ে আৰু পিতৃ কপিলদেৱকো উপহাৰ হিচাপে দিয়ে ।ৰাষ্ট্ৰপতিৰ পৰা পুৰস্কাৰ লোৱাৰ পিছতো তেওঁ সাধাৰণ ভাবেই উত্তৰ দিয়ে অ, পুৰস্কাৰ লৈ আহিলো । কাপোৰ কানিৰ প্ৰতি চখ থাকিলেও এবাৰ পিন্ধাৰ পিছত কত এৰে ঠিক নাই। সকলো বস্তু তেওঁ সহজেই আনক দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। টকা-পইচা, ধন-সম্পত্তিৰ প্ৰতি তেওঁ উদাসীন আছিল। ফাগুনত যেতিয়া কমিটিৰ সভাপতি বা সম্পাদকে ধনৰ অভাব হোৱা বুলি কয় কোনো পাৰিশ্ৰমিক নোলোৱাকৈ গুচি আহে, নিজৰ পৰা সহায়কাৰি সকলক টকা দিয়ে। তেওঁৰ মনত যি ইচ্ছা হয় সেইটো কৰে। তেওঁ কেতিয়াও কাৰোঁ অনুমতি নিবিচাৰে। তেওঁ আছিল প্ৰকৃতি প্ৰেমী জন্তু জানোৱাৰক অত্যন্ত ভাল পাইছিল সেয়ে স্কুলিয়া অৱস্থাত ঘৰতে এখন সৰু চিৰিয়াখানা বনাই লৈছিল ।বিভিন্ন পশু-পক্ষীৰ লগতে গছ ভাল পাইছিল গছৰ লগত কথা পাতিছিল। তেওঁ অনুভৱ কৰিছিল গছবোৰক তেওঁ যেনেকৈ বুজি পায় সেইদৰে গছবোৰেও তেওঁক বুজি পায় ।

তেওঁ বৰগীত ৰেকৰ্ড কৰোঁতে সদায় ধূতি পৰিধান কৰিছিল । ইং ২০০০ চনতে "তুমি মোৰ মাঁথো মোৰ" নামৰ ছবিখন পৰিচালনা কৰি সেই তেতিয়াই মুখ্য চৰিত্ৰত অভিনয় কৰাৰ লগতে গায়ক সংগীত পৰিচালক কাহিনীকাৰ সংলাপ ৰচিয়োতা সকলো কাম তেওঁ নিজেই কৰিলে । তেওঁৰ প্ৰতিভা অনন্যা ।গান লিখি সুৰৰ ভাঁজত মন খোৱাকৈ সজোৱা অতুলনীয় ক্ষমতা আৰু দক্ষতা তেওঁৰ আছে। যাৰ ফলত অতি সাধাৰণ কথা আৰু সুৰ জুবিনৰ কণ্ঠত মনোমোহা হৈ ধৰা দিয়ে, শ্ৰোতাই উৎকৰ্ণ তন্ময় হৈ শুনি থাকে সেই সুৰৰ ঝাংকাৰ ।

জুবিনৰ পিতৃৰ ঘৰ শিৱসাগৰ জিলাৰ জাঁজি অঞ্চলৰ তামুলিছিঙা গাঁওত। কৰ্মসুত্ৰে গাৰো পাহাৰৰ তুৰাত থাকিবলৈ লোৱাত তাতেই ১৯৭২ চনৰ১৮ নৱেম্বৰত চিভিল হস্পিতালত ব্ৰাহ্মণ পৰিয়ালত অসমৰ হাৰ্টথ্ৰ'ৰ গৰাকীৰ জন্ম হয় । সেই সময়ৰ কপিল ঠাকুৰ দেৱৰ প্ৰিয় সংগীত কাৰ জুবিন মেহতাৰ নাম অনুসৰি জুবিন নামটো ৰখা হৈছিল । পিছলৈ তেওঁ গাৰ্গৰ উপাধিটো লগাই লৈছিল ।জুবিন গাৰ্গৰ ঘৰত মাতা নাম গল্ডি । সৰুৰে পৰা খেয়ালি মনৰ জুবিনক স্কুলত যোৱাৰ বাবে স্কুল বাছ ঠিক কৰি দিছিল ।প্ৰথম দিনাই স্কুললৈ গৈ ওলটি নহাত মাক ইলিয়ে দেউতাকৰ অফিচলৈ খবৰ পঠিয়াই দিয়ে । চিন্তিত দেউতাক অৱশেষত তেওঁ চাইকেল মাৰি কিৰ্মেল স্কুল পায় দেখে লৰাই পাৰ্কৰ চুইঙখনত বহি আছে। গতিকে সৰুৰে পৰা জুবিন অলপ খেয়ালি মনৰ আছিল। কৰিমগঞ্জত দুৰ্গাপূজাৰ সময়ত নিজেই ঠেলা ঠিক কৰি গোতেই টাউন খন ঘূৰি পূজা চালে ঠেলাৱালা জনেই কলেহি হাকিমৰ ল'ৰাক ঠেলাত উঠাই পূজা দেখুৱালোঁ। এনেবোৰ নোহোৱা নোপোজা কাৰ্যৰ বাবে জুবিন বিখ্যাত হৈ পৰিছিল । সৰুতে কেতিয়াবা গাৰুবোৰকে শত্ৰু বনাই ঘৰতে অভিনয় কৰে। অমিতাভ বচ্চনৰ ছবিবোৰ তেওঁৰ প্ৰিয় আছিল তেখেতৰ দৰে থ্ৰি-পিচ্ চ্যুটও পিন্ধিছিল।

জুবিনৰ গানৰ প্ৰতি থকা ধাউতিৰ বাবে কৰিমগঞ্জৰে বিশিষ্ট তবলা বাদক শ্ৰীবানাৰ্জীৰ তলত তবলা শিকিবলৈ দিছিল। মাক ইলিয়ে সুকণ্ঠি গায়িকা হোৱা হেতুকে সৰুতেই তেওঁৰ সংগীতময় জীৱনৰ লাই খুঁটা পুতিছিল। বিজনীলৈ আহি লোকগীত শিকাবলৈ স্থানীয় শিক্ষক শ্ৰীৰমনী ৰায়ই ঘৰতে নিয়োগ কৰাত তেখেতৰ লগতে গৈ বঙাইগাঁওৰ পৰা এখন হাৰমনিয়াম আনি নিতৌ ৰেয়াজ আৰম্ভ কৰাত লাগিল জুবিন গাৰ্গ আৰু জংকি বৰঠাকুৰে। মেট্ৰিক পাছ কৰাৰ পিছত সেয়া আছিল তেওঁ প্ৰথম আৰু শেষ আনুষ্ঠানিক শিক্ষা পিছলৈ নিজেই নিজৰ পৰা শিকিবলৈ ললে । এইখিনিতে তেওঁৰ আকৌ এটা মহানুভৱতাৰ পৰিচয় দিয়ে সেই গান শিকা শিক্ষক জনৰ হৃদৰোগ আক্ৰান্ত হৈ শয্যাগত হৈ থকাৰ সময়ত তেখেতক গুৱাহাটিলৈ আনি নাচিংহ'মত চিকিৎসা কৰোৱাই এমাহ পিছত পুনৰ বিজনীত থৈ আহে ।

গুৱাহাটিৰ জিলা পুথি ভঁৰালত লোকগীত গাবলৈ আহি কিবৰ্ড দেখি তেওঁৰ বজাবলৈ মন যোৱাত দেউতাকে কিনি আনি দিছিল সেইখনৰ লগতে হাৰমনিয়ামতো তেওঁ নিজে আঙুলি বুলাই গানবোৰ উঠাব পাৰিছিল। ২০০১ চনত কটন কলেজৰ শতবাৰ্ষিকী উৎসৱত জৰ্জফিল্ডত সংঙ্গীত সন্ধিয়াত জুবিনে নামঘৰৰ ডবা আৰু বৰতাল সমন্বিতে তেৰটা বাদ্য-যন্ত্ৰ বজাই গীত পৰিবেশন কৰিছিল । জে বি কলেজত পঢ়ি থকাৰ সময়ত মাহীয়েকৰ অসুখৰ খবৰ পায় ৰাতি অকলেই চাইকেল চলায় মাহিয়েকৰ ওচৰ পাইছিল। জে বি কলেজত পঢ়ি থকা সময়তে যোৰহাটৰ আকাশবাণী নিলু চক্ৰবৰ্তীৰ সৈতে চিনাকি হ'ল তেতিয়াই যুৱ-বাণী অনুষ্ঠানত নিজে সুৰ দিয়া কেইবাটিও গান গাইছিল। তেতিয়ালৈ তেওঁ গান লিখা নাছিল। সেই সময়তে জে বি কলেজৰ পৰা গুৱাহাটি বি বৰুৱা কলেজলৈ গুচি আহিল ।

১৯৮৯-৯০চনত বম্বেত আগতে গৈ লগ পোৱা অসমীয়া যুবকৰ সৈতে লগলাগি জীৱনৰ লক্ষ্য আৰম্ভ কৰিছিলে। ঘৰৰ পৰা টকা পইচা বিচাৰিব যাতে নালাগে সেই কথা ভাবি সৰু-সুৰা কামকে কৰিলে । সেই সময়খিনিতে নিজে কেছেট উলিয়াবলৈ হাবিয়াস কৰি অনুৰাধা পাড়োৱালকো গান গোৱালে কেছেটটোৰ নাম দিলে অনুৰাধা । যেতিয়া নিজৰ কণ্ঠৰ কেছেট উলিয়াবলৈ সংকল্প ল'লে শ্ৰীদেৱ বৰকটকী ইলেকট্ৰনিকছৰ স্বত্বাধিকাৰী আৰু কেছেটত প্ৰডিউচাৰ জনে জুবিন গাৰ্গে গান গাই থাকোঁতে তেওঁৰ কণ্ঠত মুগ্ধ হৈ কেছেট প্ৰকাশৰ সকলো দায়িত্ব মুৰ পাতি ললে । সেই প্ৰথমখন কেছেটৰ নাম "অনামিকা" তাৰ লগে লগে "মায়া" বৰ্তমানলৈ জনপ্ৰিয় তেতিয়াৰ পৰা যি আৰম্ভ হল তাৰ যাত্ৰা অবিৰত ভাবে চলি থাকিল ।

১৯৯৫ চনত গৰিমাৰ লগত চিনাকি হৈ ২০০২চনৰ ৮ফেব্ৰুৱাৰীত দুয়ো বিবাহ পাশত আবদ্ধ হয় । কিন্তু তাৰ আগত হেপাটাইটিছ হৈ ২০০০ চনৰ ৩ চেপ্তেম্বৰত জুবিনৰ মাতৃ ইলি ঠাকুৰৰ মৃত্যু হয় । তাৰ পিছতেই ২০০২ চনৰ১৬ জানুৱাৰীৰ গধূলী ৬মান বজাত চতিয়াত প্ৰগ্ৰেম কৰিবলৈ যাওতে জুবিনৰ অতিকে মৰমৰ ভগ্নী জংক্কিক এক্সিডেন্টত হেৰুৱাব লগা হৈছিল।

"জুবিন গাৰ্গ" আজি বিশ্ব সংগীত জগতৰে এক চিনাকি নাম । মুক্তিপ্ৰাপ্ত বহু ছবিত কণ্ঠদান কৰিছে । তাৰে ভিতৰত জনপ্ৰিয়তা লাভ কৰা হিন্দী ছবিকেইখন হল- মণিৰত্নমৰ "দিল চে", আই চি ইউ, সৌৰভ শুক্লৰ "মুদ্দা", প্ৰীতিশ নন্দীৰ প্যাৰ কা চাইড এফেক্ট, ছানি দেউলৰ ব্ৰিগ ব্ৰাদাৰ, বিক্ৰম ভাটৰ 'ৰহ লম্ হে' সুধাংশু পাণ্ডেৰ দেখ মিল গয়া, হনিমুন, ট্ৰেভেলছপ্ৰাঃ লিমিটেড, স্মৃতা থাকৰেৰ কেইচে হুঁক, হিমেশ ৰেশ্বমিয়াৰ নমস্তে লণ্ডন, ঝুম বৰাবৰ ঝুম', তদুপৰি বচ একপল, চুবহ চুবহ, জিমি মৌজ, ইত্যাদি এ-আৰ-ৰহমান আৰু সুভাষ ঘাইৰ লগতো কাম কৰিছে জুবিনে । ইছমাইল দৰবাৰৰ লগত "ৰাছিয়া সাজন" ইছমাইল দৰবাৰে কৈছিল জুবিনৰ বিষয়ে "বহু কুদৰত কা দেন হ্যায়" অনু মালিকৰ সংগীত পৰিচালনাতো তেওঁ গীত গাইছিল এছ-ডি-বৰ্মনৰ ৰিমেক এলবাম জিন্দেগী, পাকিজা, বাংলা ছবি "শুধু তুমি" আৰু মহাৰথী'ৰ কণ্ঠ আৰু সংগীত পৰিচালনা এলবাম "তুমি", পুণৰ চানিদেউলৰ ছবি "আপনে আপনে"ত পাঞ্জাৱী গীত, বাপ্পী লাহিড়িৰ সংগীত পৰিচালনাত দৰ্দ-এ-ডি' নামৰ ছবিখনত দুটা গীতত কণ্ঠ দান কৰে। হিন্দীৰ সঞ্জীৱ দৰ্শনৰ ছবিতো কাম কৰিছে । এখন তেলেগু ছবিত নিজে সংগীত পৰিচালনা কৰে। তেওঁ গান শুনা চিনেমা চোৱা নতুন আহাৰৰ জুতি লোৱা, গাড়ী চলোৱা, সাঁতোৰ বৰশী বোৱা, ইবিলাক তেওঁৰ হবি। ভূপেন হাজৰীকা, ৰিদিপ দত্ত, মুনিন বৰুৱা, এছ-ডি- বৰ্মন, কিশোৰ কুমাৰ, ফটেহ আলি খান, ষ্টিংছ মাইকেল জেকছন, গেৰি মুৰ আদি তেওঁৰ প্ৰিয় শিল্পী, অসমৰ প্ৰতিখন ঠাই তেওঁৰ প্ৰিয় । অসমৰ প্ৰতিটো লোকগীত তেওঁৰ প্ৰিয় । প্ৰিয় ব্যক্তিত্ব বিষ্ণুৰাভা প্ৰিয় কিতাপ চাৰ্লি চেপলিনৰ আত্মজীৱনী ।

হিয়াৰ আমঠু গৰাকী কায়িক ভাবে আমাৰ মাজত নাই। কিন্ত প্ৰতিজন অসমবাসীৰ হৃদয়ত আজিও বিদ্য মান। আজিও তেওঁ জাতি ধৰ্ম নিৰ্বিশেষে প্ৰতিজন লোকৰ আদৰ্শ । কি আচৰিত কথা আজি পৰ্যন্ত সমাধি স্থলত তেখেতৰ গুণমুগ্ধই আৱৰি ৰাখিছে ধূপ-চাকীৰে তেখেতৰ সমাধীস্থল, পূণ্যভূমিলৈ ৰূপান্তৰিত হৈছে । যিজন মানুহে জীবিত কালত নিজৰ সুখ শান্তি ঐচৰ্য্য বিভুতিৰ কথা নাভাবি দুখীয়া নিচলাক সংগ দিছিল সেইজন মহান ব্যক্তি ঈশ্বৰৰে এক অংশ বুলি প্ৰমান হৈ গ'ল। সেই মহান ব্যক্তি গৰাকীৰ মৃত্যুৰো খ্যাতি ৰাখিলে। তেওঁৰ আদৰ্শৰে আগবাঢ়ি যোৱাৰ যেন প্ৰথমটো পদক্ষেপ, সৌ সেইদিনা উজনীত বানপানীয়ে তচ-নচ কৰি যোৱাৰ সময়ত কোনেও কাৰো আহ্বানলৈ বৈ নাথাকি সকলোবে আগবাঢ়ি আহিল, বনপ্ৰীড়িত ৰাইজক সহায়ৰ হাত আগবঢ়ালে। এয়া যেন জুবিন দেশৰে মানুহ এক শুভবাৰ্তা দিলে অসমী আইক। জুবিন গাৰ্গৰ ভাষাৰে শেষ বুলিলে যেন শেষ নহয় আকৌ আৰম্ভ হল । নতুন প্ৰজন্মৰ নতুন চিন্তাই উৎভাসিত কৰক অসম খন।

# ডিজিটেল প্ৰকাশন

শিশু সাহিত্যৰ বিষয়ে সুন্দৰ বক্তব্য প্ৰদান কৰে। পূৰবী বৰুৱাৰ দ্বাৰা সম্পাদিত উন্নাভ শিলিগুড়িৰ 'প্ৰীতিৰ সুবাসে' উন্মোচন কৰে বিশিষ্ট যুৱ লেখিকা তথা সাংবাদিক নয়দানিবাসী গায়ত্ৰী প্ৰান্তিক শৰ্মাই । বৰ্ণালী শইকীয়া কাকতিয়ে সম্পাদনা কৰা উন্নাভ নুমলীগড়ৰ 'দেওশিল' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা সাংবাদিক প্ৰদীপ শৰ্মাই। পাপৰি শইকীয়া বৰাই সম্পাদনা কৰা উন্নাভ গোলাঘাটৰ কাব্য সংখ্যা 'নিৰৱধি' উন্মোচন কৰে বিশিষ্ট পৰিৱেশবিদ অপূৰ্ব বল্লভ গোস্বামীয়ে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ড° বিনীতা বৰা দেৱচৌধুৰী, ত্ৰিনয়ন সন্দিকৈয়ে। সভাত টৰোণ্টো বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ অংশকালীন শিক্ষক আৰু গৱেষক দেৱাঞ্জন বৰঠাকুৰে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। উন্নাভৰ মুখ্য উপদেষ্টা মৃদুল শৰ্মাই সাম্প্ৰতিক কবিতাৰ বিষয়ত সুন্দৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত 'ত্ৰাতৃ' এপৰ জন্মদাতা ত্ৰিদীপ বৰুৱাই জুবিন গাৰ্গৰ নামত উৎসৰ্গিত অনুষ্ঠান "ওভতাই অনাৰ প্ৰয়াস" সম্পৰ্কে সভাক অৱগত কৰে। অনুষ্ঠানত মনীষা শৰ্মা, মৃণালী শইকীয়া বৰা, পাহাৰী শইকীয়া, ৰুনুমণি আদিয়ে কবিতা পাঠ কৰে। সভাত অসমৰ শদিয়াৰ পৰা ধুবুৰী আৰু ইয়াৰোপৰি মুম্বাই, নতুন দিল্লীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। শেষত সভাৰ সঞ্চালিকা মণিৰূপা মিশ্ৰই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত আনুষ্ঠানিকভাৱে সভাৰ সামৰণি পৰে।

# দুৰ্গাপূজাত ২০% বোনাছ

প্ৰদানত অনুমোদন জনায়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে যে ৰাজ্যৰ ৮০৭খন চাহ বাগিচাৰ ৫৪৮খন বাগিচাই ইতিমধ্যে ২০ শতাংশ পূজাৰ বোনাছ ঘোষণা কৰিছে। এটিচিএলৰ অধীনস্থ বাগিচাসমূহৰ শ্ৰমিকৰ বাবেও ২০ শতাংশ পূজাৰ বোনাছ ৰাজ্য চৰকাৰে প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। বাকী ২৫৯খন চাহ বাগিচাৰ শ্ৰমিকক ২০ শতাংশ পূজাৰ বোনাছ দিয়াৰ বাবে আলোচনা চলি আছে। এই চাহ বাগিচাৰ মালিক অথবা কোম্পানীসমূহেও ২০ শতাংশ বোনাছ দিব।

# অসমৰ প্ৰভাৰী হিচাপে

সাংসদ কনাড পুৰকায়স্থক মেঘালয়ৰ প্ৰভাৰীৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মেঘালয়ৰ সহঃপ্ৰভাৰীৰ দায়িত্বত থাকিব অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ ডাঃ নোমল মমিন। ত্ৰিপুৰাৰ প্ৰভাৰীৰ দায়িত্ব অৰ্পণ কৰা হৈছে মৃগাংক দেৱ বৰ্মনক। মন কৰিবলগীয়া যে উত্তৰ-পূবৰ ৰাজ্যসমূহৰো নতুন সাংগঠনিক দায়িত্ব ঘোষণা কৰিছে বিজেপিয়ে। সেই অনুসৰি ড° দেৱেশ কুমাৰক অৰুণাচলৰ প্ৰভাৰী হিচাপে দায়িত্ব দিয়াৰ বিপৰীতে নাগালেণ্ডৰ প্ৰভাৰীৰ দায়িত্বত থাকি অনিল এণ্টনী আৰু মিজোৰামৰ প্ৰভাৰীৰ দায়িত্ব পালন কৰিব ড° ভাগৱত কৰাডে।

# কাগজবিহীন হ'ব

হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অহা ২০২৭ চনৰ ১ জানুৱাৰীৰ ভিতৰত ৰাজ্যত সকলো চৰকাৰী কাৰ্যালয়ক 'ই-অফিচ'লৈ ৰূপান্তৰ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ডিজিটেল প্ৰযুক্তিৰ সফল প্ৰয়োগেৰে চৰকাৰী সেৱা অধিক স্বচ্ছ, ক্ষিপ্ৰ আৰু জনমুখী কৰি তুলিবলৈ অসম চৰকাৰ সংকল্পবদ্ধ। উল্লেখ্য যে 'ই-অফিচ' ব্যৱস্থা সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'লে চৰকাৰী নথি-পত্ৰৰ ডিজিটেল ব্যৱস্থাপনা, ফাইলৰ দ্ৰুত নিষ্পত্তি আৰু বিভিন্ন প্ৰশাসনিক কাম-কাজ অধিক সুচাৰুৰূপে সম্পন্ন হোৱাৰ পথ সুচল হৈ পৰিব। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে পৰম্পৰাগত কাগজভিত্তিক প্ৰশাসনিক ব্যৱস্থাৰ পৰিৱৰ্তে অত্যাধুনিক আৰু প্ৰযুক্তিনিৰ্ভৰ পৰিকাঠামো গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ডিজিটেল প্ৰযুক্তিৰ সফল প্ৰয়োগৰ জৰিয়তে চৰকাৰী সেৱা জনসাধাৰণৰ কাৰণে অধিক ক্ষিপ্ৰ আৰু স্বচ্ছ কৰি তোলাৰ এ নে অভিলাষী পদক্ষেপৰ দ্বাৰা অসম চৰকাৰে কাৰ্যতঃ আগবাঢ়িছে আন এক প্ৰশাসনিক সংস্কাৰৰ দিশত।

# নিৰ্বাচন আয়োগৰ

নিৰ্বাচন আয়োগে নিজে ইয়াৰ বিষয়সমূহ সমাধান কৰিব পাৰে। আয়োগৰ পিছত লাগি থকাৰ আমাৰ কোনো প্ৰয়োজন নাই। বিৰোধীয়ে যিবোৰ অভিযোগ আনিছে, সেয়া সম্পূৰ্ণ ভুল। বিৰোধী এই কাৰণেই ভুল-আয়োগে যিধৰণে ভাল কাম কৰি আছে, এই ভাল কামসমূহক হেঁচা দি বন্ধ কৰিবলৈ বিৰোধীয়ে প্ৰচেষ্টা চলাই আছে। বিৰোধীৰ সপক্ষে যিসকলে থিয় নহয়, তেওঁলোকৰ বিৰুদ্ধে বিৰোধীয়ে এই ধৰণৰ এক ষড়যন্ত্ৰত লিপ্ত হয়। আয়োগে ভাল কাম কৰি থকাৰ বাবে বিৰোধীয়ে হেঁচা প্ৰয়োগ কৰিছে।

# এয়া কেৱল এক উদ্দেশ্যপ্ৰণো

অনুসৰি, ভোটাৰ তালিকাৰ পুনৰীক্ষণৰ (এছআইআৰ) সময়ত দুই নিৰ্বাচন আয়ুক্ত ক্ৰমে সুখবীৰ সিং সন্ধু আৰু বিবেক যোশীয়ে বিভিন্ন ৰাজ্যত ভোটাৰৰ নাম বাদ পৰাকে ধৰি একাধিক বিষয়ত আপত্তি কৰিছিল। প্ৰতিবেদনত দাবী কৰা হৈছে যে দুয়োগৰাকী নিৰ্বাচন আয়ুক্তই ভোটাৰ ডাটা ছিষ্টেমত তদাৰকীৰ আসোঁৱাহ থকাৰো অভিযোগ কৰিছিল। ইংৰাজী দৈনিক বাতৰিকাকতখনে দাবী কৰা মতে, সামূহিকভাৱে তেওঁলোকে প্ৰায় ১০ মাহৰ ভিতৰত ১৪ বাৰ এই আপত্তিসমূহ প্ৰকাশ কৰিছিল। তেওঁলোকৰ অজ্ঞাতে লোৱা সিদ্ধান্ত আৰু জাৰি কৰা আদেশৰ ওপৰতো আপত্তি দৰ্শাইছিল। এই বাতৰি প্ৰকাশৰ পিছতেই দেশৰ বিৰোধী দলসমূহে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু কেন্দ্ৰৰ বিজেপি চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৃহস্পতিবাৰে মুখ্য নিৰ্বাচন আয়ুক্তই নিৰ্বাচন আয়ুক্তসকলৰ লগত আলোচনা নকৰাকৈ সিদ্ধান্ত ল'ব নোৱাৰে বুলি দৃঢ়তাৰে কয় । মুখ্য নিৰ্বাচন আয়ুক্তক 'ৰাজনৈতিক প্ৰচাৰ'ৰ অংশ হিচাপে লক্ষ্য কৰি লোৱাৰ অভিযোগ উত্থাপন কৰি ড° শৰ্মাই কয় যে এই কাৰ্যই বিৰোধী আৰু 'ডিমাগী' (বৌদ্ধিক) নক্সালসকলৰ 'হতাশা' প্ৰতিফলিত কৰিছে । তেওঁ কয় যে নিৰ্বাচন আয়োগে সামূহিক সংস্থা হিচাপে কাম কৰে আৰু সকলো সিদ্ধান্ততে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্ত দুজনৰ স্বাক্ষৰ থাকে। নিৰ্বাচন আয়োগৰ নিয়ম জনাসকলে এনে অভিযোগ উত্থাপন নকৰে। মোৰ দৃষ্টিত মুখ্য নিৰ্বাচন আয়ুক্ত বা নিৰ্বাচন আয়ুক্ত সংখ্যালঘু হ'লে নিৰ্বাচন আয়োগে কোনো সিদ্ধান্ত ল'ব নোৱাৰে । নিৰ্বাচন আয়োগৰ সকলো সিদ্ধান্তই সামূহিক সংস্থা হিচাপে গৃহীত বা সংখ্যাগৰিষ্ঠতাৰে ল'ব লাগে । সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। মুখ্যমন্ত্ৰীয়ে কয়-যিসকলে নিৰ্বাচনী আয়োগৰ নীতি-নিয়ম সম্পৰ্কত অৱগত, তেওঁলোকে এই অভিযোগ নকৰে। নিৰ্বাচনী আয়ুক্তই যদি কোনো সিদ্ধান্ত ল'ব লাগে, তেন্তে আয়োগৰ তিনিওগৰাকী আয়ুক্তৰ স্বাক্ষৰৰ প্ৰয়োজন হ'ব। যদি দুজন আয়ুক্তই নিৰ্বাচন আয়োগৰ বিপক্ষে আছিল, তেন্তে চিই চিগৰাকী ২-১ ভোটত হাৰি যাব লাগিছিল। ফাইলত এটা সিদ্ধান্ত হোৱাৰ আগতে বিভিন্নজনে বিভিন্ন কথা লিখে। আমাৰ কেবিনেটতো যদি এটা প্ৰস্তাৱ আহে, উপ-সচিবে বেলেগকৈ লিখিব, যুটীয়া সচিবে বেলেগকৈ লিখিব, শেষত বৈঠকত বহি এটা উমৈহতীয়া সিদ্ধান্ত লোৱা হয়। ৰাষ্ট্ৰীয় সংবাদ মাধ্যম ইণ্ডিয়ান এ'প্ৰেছত যি বাতৰি প্ৰকাশ হৈছে, সেয়া হ'ল প্ৰি-ডিছিচন মেকিং কনছালটেচন। অৰ্থাৎ সিদ্ধান্ত লোৱাৰ আগতে বিভিন্নজনে দিয়া মতামতসমূহ। যদি সিদ্ধান্তসমূহৰ ক্ষেত্ৰত তিনিওজন নিৰ্বাচনী আয়ুক্তই স্বাক্ষৰ দিয়া নাই, তেন্তে সেয়া সিদ্ধান্ত নহ'লহেঁতেন। মই ভাবোঁ এই সমগ্ৰ বাতৰিটো উত্তেজনা বিয়পোৱাৰ বাবেহে প্ৰকাশ কৰা এটা বাতৰি। যদি সৰ্বসন্মত সিদ্ধান্ত নহ'লহেঁতেন, নিৰ্বাচন আয়োগে কোনো নিৰ্বাচনেই অনুষ্ঠিত কৰিব নোৱাৰিলেহেঁতেন।

# ঝাৰখণ্ডৰ দেওঘৰত হাস্পতাল

ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সকলো সুবিধা আছে। হাস্পতালখন সাধাৰণ মানুহৰ সুবিধাজনক হোৱাৰ কাৰণ হৈছে সাংসদ নিশিকান্ত ডুবে আৰু বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টৰ অধ্যক্ষা ড° অনামিকা গৌতমে যথেষ্ট চিন্তা-চৰ্চাৰে হাস্পতালখন নিৰ্মাণ কৰিছে। ট্ৰাষ্টৰ অধ্যক্ষা ড° গৌতমৰ উদ্ধৃতিৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টে নিৰ্মাণ কৰা হাস্পতালৰ উদ্দেশ্য লাভ অৰ্জন কৰা নহয়, জনসেৱাৰ বাবেহে তেওঁলোকে হাস্পতাল নিৰ্মাণ কৰে। সেয়ে তেওঁলোকে চিকিৎসা খণ্ডৰ পেছাদাৰী গোটৰ সৈতে অংশীদাৰিত্ব নকৰি দেশৰ বিভাজনৰ সময়ত পাকিস্তানৰ পৰা ভাৰতলৈ অহা শৰণাৰ্থীসকলক সহায় কৰাৰ বাবে মুম্বাইত প্ৰথমখন হাস্পতাল স্থাপন কৰা হিন্দুজা গ্ৰুপৰ দৰে সংস্থাৰ সহযোগিতাৰে হাস্পতালখন নিৰ্মাণ কৰিছে। সাংসদ নিশিকান্ত ডুবেৰ চিন্তা, ড° অনামিকা গৌতমৰ পৰিশ্ৰম আৰু হিন্দুজা গ্ৰুপৰ চিকিৎসা সক্ষমতাই হাস্পতালখনক জনসেৱাৰ এক বৃহৎ মন্দিৰত পৰিণত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। দেওঘৰৰ এইমছ আৰু বৈদ্যনাথ মেডিকেল ট্ৰাষ্ট হাস্পতালখন পৰস্পৰৰ পৰিপূৰক হ'ব বুলি আশা প্ৰকাশ কৰি তেওঁ কয় যে এখনে আনখনক শক্তি দিব আৰু ঝাৰখণ্ডবাসী, বিহাৰবাসী ৰাইজ উপকৃত হ'ব। আগতে দেওঘৰ, গোড্ডাকে ধৰি ঝাৰখণ্ডৰ ৰাইজ ভাল চিকিৎসাৰ বাবে কলকাতালৈ যাবলগীয়া হৈছিল। কিন্তু লাহে লাহে অঞ্চলটোত সু-চিকিৎসাৰ এটা ভাল ভেটি নিৰ্মাণ হৈছে। ৰাইজ এতিয়া চিকিৎসাৰ বাবে দেওঘৰলৈ আহিবলৈ আৰম্ভ কৰিব আৰু আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰভূমি দেওঘৰ লাহে লাহে চিকিৎসা পৰ্যটনৰো কেন্দ্ৰবিন্দু হৈ পৰিব। দেশত স্বাস্থ্য আৰু চিকিৎসা শিক্ষাৰ পূৰ্বৰ আৰু বৰ্তমানৰ পৰিস্থিতিৰ তুলনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০১৪ চনত নৰেন্দ্ৰ মোদী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ সময়ত দেশত মেডিকেল কলেজৰ সংখ্যা আছিল ৩৮৭খন। সম্প্ৰতি দেশত মেডিকেল কলেজৰ সংখ্যা ৮৪৬খনলৈ বৃদ্ধি পালে। ২০১৪ চনলৈকে আমাৰ দেশত প্ৰতিবছৰে ৫১, ৩৮৪ গৰাকী এমবিবিএছ চিকিৎসকৰ সৃষ্টি হৈছিল। বৰ্তমান দেশত প্ৰতি বছৰে ১, ৩৯, ৮৬৪ গৰাকী চিকিৎসক সৃষ্টি হয়। সম্প্ৰতি দেশত ২২খন এইমছ প্ৰতিষ্ঠা হৈছে। ফলত চিকিৎসকৰ চাহিদা আৰু যোগানৰ মাজত আজি এটা পৰিৱৰ্তন আহিছে। অসমৰ চিকিৎসা শিক্ষা প্ৰসংগত তেওঁ কয় যে অসমত বিংশ শতিকাৰ পঞ্চাশৰ দশকত প্ৰথমখন মেডিকেল কলেজ স্থাপন হৈছিল। তাৰ পিছত ষাঠিৰ দশকত দ্বিতীয়খন আৰু সত্তৰৰ দশকত তৃতীয়খন মেডিকেল কলেজ স্থাপন হয়। চাৰে তিনি কোটি জনসংখ্যাৰ অসমত কেৱল তিনিখন মেডিকেল কলেজহে আছিল। প্ৰতি বছৰে ৩০০গৰাকী চিকিৎসকৰ সৃষ্টি হৈছিল। চিকিৎসকৰ চাহিদা অনুপাতে যোগান পৰ্যাপ্ত নোহোৱাত অসমত ৰাইজে চিকিৎসা সেৱা পৰ্যাপ্তভাৱে লাভ কৰা নাছিল। বৰ্তমান অসমত মেডিকেল কলেজৰ সংখ্যা ১৬খন হ'ল। অহা মাহত বঙাইগাঁও জিলাত মেডিকেল কলেজৰ শুভাৰম্ভ কৰা হ'ব। বৰ্তমান অসমত প্ৰতি বছৰে ২, ২০০ গৰাকী চিকিৎসক সৃষ্টি হয়। অসমত এইমছ আৰু ইএছআইচি মেডিকেল কলেজৰ উপৰি ৩২খন মেডিকেল কলেজ স্থাপনৰ সপোন থকা বুলি মন্তব্য কৰি তেওঁ কয় যে ২০৩১ চনৰ ভিতৰত অসমত ৩০খন মেডিকেল কলেজ হ'ব, ১৬খন ইতিমধ্যে হৈছে আৰু এমবিবিএছ আসনৰ সংখ্যা ৪, ০০০খন হ'বগৈ। ইমান বৃহৎসংখ্যক চিকিৎসকক সংস্থাপিত কৰাৰ বাবে অসমৰ ৫ হাজাৰ উপ-স্বাস্থ্যকেন্দ্ৰত দুগৰাকীকৈ চিকিৎসক নিযুক্তি দিয়াৰ বাবে শেহতীয়া ৰাজ্যিক বাজেটত ঘোষণা কৰাৰ কথা তেওঁ উল্লেখ কৰে। অনুষ্ঠানত স্থানীয় সাংসদ নিশিকান্ত ডুবে, বাবা বৈদ্যনাথ মেডিকেল ট্ৰাষ্টৰ অধ্যক্ষা ড° অনামিকা গৌতম প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# গুজৰাটত ১৫০ টন উৎপাদন

সেউজ ইন্ধন ব্যৱহাৰলৈ হোৱা যাত্ৰাৰ নেতৃত্ব বহন কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ সেউজ ইন্ধনৰ ব্যৱহাৰ বৃদ্ধিৰ এই দৃষ্টিভংগী ক্ৰমান্বয়ে দেশৰ সকলো ৰাজ্যলৈ প্ৰসাৰিত হৈছে আৰু আজি ভাৰতবৰ্ষই সেউজ শক্তি উৎপাদনত বিশ্বৰ এক অগ্ৰণী ৰাষ্ট্ৰ হিচাপে উদ্ভাসিত হৈছে। সেউজ ইন্ধন ব্যৱহাৰৰ পদক্ষেপক আগুৱাই লৈ গৈ দেশৰ জাহাজসমূহতো এনে ইন্ধন ব্যৱহাৰৰ চিন্তা-চৰ্চা কৰা হৈছে আৰু এই লক্ষ্য পূৰণৰ উদ্দেশ্যে আজি গুজৰাটৰ কাণ্ডলাত দেশৰ অন্যতম বৃহৎ ই-মিথানল উৎপাদন প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰা হৈছে। প্ৰকল্পটোৰ পৰা উৎপাদিত মিথানল বন্দৰটোৰ পৰা বিদেশলৈ যাত্ৰা কৰা জাহাজসমূহৰ ইন্ধন হিচাপে ব্যৱহাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। কাণ্ডলাৰ এই বৃহৎ প্ৰকল্পটোত অসমে কৰা অংশগ্ৰহণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দেশক ইন্ধন যোগান ধৰাৰ দিশত অসমে পূৰ্বৰে পৰা এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ উল্লেখ কৰে যে ১৮৬৭চনতে অসমৰ মাকুমত এছিয়াৰ প্ৰথমটো যান্ত্ৰিকভাৱে খন্দা তৈলখাদ স্থাপন কৰা হৈছিল আৰু ১৯০১ চনতে ডিগবৈত স্থাপন হৈছিল দেশৰ প্ৰথমটো তেল শোধনাগাৰ। অসমে দেশৰ তেল আৰু প্ৰাকৃতিক গেছ খণ্ডলৈ বৰ্তমানেও গুৰুত্বপূৰ্ণ বৰঙণি যোগাই আছে। মিথানল উৎপাদনৰ দিশত অসম প্ৰায় ৫০ বছৰীয়া অভিজ্ঞতাৰে সমৃদ্ধ। নামৰূপস্থিত অসম পেট্ৰ'-কেমিকেলছ লিমিটেডে দৈনিক ৫০০ টন পৰ্যন্ত মিথানল উৎপাদন কৰিব পাৰে। এনে প্ৰেক্ষাপটত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যেতিয়া কাণ্ডলাত স্থাপন হ'বলগীয়া ই-মিথানল প্ৰকল্পটোত অসম পেট্ৰ'-কেমিকেলছ লিমিটেডক অংশীদাৰ হ'বলৈ আহ্বান জনাইছিল, তেতিয়া অসমে ইয়াক এক গৌৰৱৰ বিষয় বুলি গণ্য কৰি তাৎক্ষণিকভাৱে সন্মতি আগবঢ়াইছিল। এইধৰণৰ প্ৰকল্প ভৱিষ্যতে দেশৰ অন্যান্য বন্দৰতো স্থাপনৰ পদক্ষেপ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম আৰু গুজৰাটৰ সৈতে থকা পুৰণি আৰু আন্তৰিক সম্পৰ্কৰ কথা উল্লেখ কৰে। তেওঁ কয় যে ভগবান শ্ৰীকৃষ্ণই অসমৰ ৰুক্মিণীৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। গুজৰাটৰ সৈতে অসমৰ আন্তৰিক সম্পৰ্ক আধুনিক সময়তো অব্যাহত আছে। দেশৰ সৰ্বাধিক চাহ উৎপাদনকাৰী ৰাজ্য হৈছে অসম। আনহাতে অসমৰ পৰা সৰ্বাধিক চাহ আমদানি কৰা ৰাজ্যসমূহৰ ভিতৰত গুজৰাট অন্যতম। গুজৰাটৰ বিকাশৰ আৰ্হিৰ সম্যক বুজ লোৱাৰ উদ্দেশ্যে কিছুদিন পূৰ্বে অসমৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াই ৰাজ্যখনৰ সচিবালয় ভ্ৰমণ কৰাৰ কথাও ভাষণত তেওঁ উল্লেখ কৰে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চল এসময়ত দেশৰ অন্যতম বঞ্চিত অঞ্চল হিচাপে চিহ্নিত হৈছিল। কিন্তু নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা সমগ্ৰ অঞ্চলটোৰে বিকাশৰ গতিপথ সম্পূৰ্ণৰূপে সলনি হৈ পৰিছে। গুজৰাটৰ দৰে অসমতো এতিয়া ছেমিকণ্ডাক্টৰৰ দৰে প্ৰকল্প স্থাপনৰ কাম পূৰ্ণগতিত চলি আছে আৰু এয়া প্ৰধানমন্ত্ৰীৰ বাবেই সম্ভৱ হৈছে বুলি উল্লেখ কৰি তেওঁ কয়- 'মই গুজৰাটবাসীক ধন্যবাদ জনাব বিচাৰোঁ যে আপোনালোকে ভাৰতবৰ্ষক এনে এগৰাকী প্ৰধানমন্ত্ৰী প্ৰদান কৰিছে, যিগৰাকীৰ অপেক্ষা উত্তৰ-পূৰ্বাঞ্চলবাসীয়ে সদায় কৰি আহিছিল। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰূপান্তৰণৰ কাম পূৰ্ণগতিত চলি আছে।' এই প্ৰকল্পটো স্থাপনৰ সুযোগ প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ উপৰি ৰাজ্যখনৰ শ্ৰম, দক্ষতা, উন্নয়ন আৰু নিয়োগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী কান্তিলাল অনুটিয়া, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ত্ৰিকাম চাংগা, গুজৰাটৰ কচ্ছ লোকসভা সমষ্টিৰ সাংসদ বিনোদ চাৱড়া, গান্ধীধাম বিধানসভা সমষ্টিৰ বিধায়িকা মালতীবেন কিশোৰ মহেশ্বৰী, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তৰংগ গগৈ, দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ অধ্যক্ষ সুশীল কুমাৰ সিং, অসম পেট্ৰ'-কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# অক্টোবৰত ১৫০০ টকাকৈ পাব

পুনৰুদ্ধাৰৰ কাম হাতত লোৱা হ'ব। কেবিনেটে আজি গুৱাহাটীৰ উলুবাৰীত ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ অধীনস্থ মছলা পৰিষদ (স্পাইচ ব'ৰ্ড)ৰ অত্যাধুনিক পৰীক্ষাগাৰ আৰু আনুষংগিক আন্তঃগাঁথনি নিৰ্মাণত অনুমোদন জনায়। এই ব্যৱস্থাৰ অধীনত কৃষি বিভাগে লোকনিৰ্মাণ (গৃহ) বিভাগৰ সৈতে সমন্বয়েৰে পৰিষদৰ নিৰ্দিষ্ট প্ৰয়োজন অনুসৰি ভৱনটো নিৰ্মাণ কৰিব। কেবিনেটে আজি কেন্দ্ৰীয় খণ্ডৰ আঁচনি- কৃষি আন্তঃগাঁথনি পুঁজি (এআইএফ) ৰ অধীনত অসমত কৃষক বা কৃষি উদ্যমীয়ে আদায় দিবলগা ধনৰ ক্ষেত্ৰত প্ৰদান কৰা ৰাজ্যিক বিত্তীয় সাহায্য সম্পৰ্কীয় নিৰ্দেশনাৱলী আৰু ইয়াৰ আনুষংগিক বিত্তীয় ব্যৱস্থাত অনুমোদন জনায়। সেইমৰ্মে এফটিঅ', এফটিচি, পিএচিএছ আৰু সমবায় সমিতিসমূহৰ বাবে বাধ্যতামূলক ১০ শতাংশ প্ৰম'টাৰৰ অংশীদাৰী মূলধনৰ সম্পূৰ্ণ পৰিমাণ অসম চৰকাৰে বহন কৰিব। আনহাতে ব্যক্তিগত হিতাধিকাৰীৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৫ শতাংশ বহন কৰিব আৰু হিতাধিকাৰীয়ে অৱশিষ্ট ৫ শতাংশ বহন কৰিব। আজিৰ কেবিনেট বৈঠকে ১ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ১৬৬গৰাকী মাষ্টাৰৰোল, কেজুৱেল আৰু ফিক্সড পে' কৰ্মচাৰীক দৰমহাৰ স্কেলৰ প্‌্যনতম হাৰ প্ৰদানত অনুমোদন জনায়। কেবিনেটে আজি আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ সুবিধাৰ্থে এক বিশেষ সুবিধা প্ৰদানত অনুমোদন জনায়। এই বিশেষ সুবিধাৰ আধাৰত আত্মসহায়ক গোটৰ যিসকল মহিলা সদস্যাই এতিয়ালৈকে আধাৰ পঞ্জীয়ন কৰা নাই, তেওঁলোকে অহা বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পাৰিব। কেবিনেট বৈঠকত অসমত জে কে লক্ষ্মী চিমেণ্ট লিমিটেডৰ ১১, ০০০ কোটি টকাৰ প্ৰস্তাৱিত বিনিয়োগেৰে এটা ক্লিংকাৰ মেনুফেকচাৰিং ইউনিট আৰু ইয়াৰ সৈতে সংলগ্ন চাৰিটা চিমেণ্ট গ্ৰাইডিং ইউনিট স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। আনহাতে কেবিনেটে কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূব ৰূপান্তৰকাৰী উদ্যোগীকৰণ আঁচনি (ইউএনএনএটিআই) ২০২৪ৰ মূল বিধান অনুসৰি যোগ্যতা থকা কিন্তু চলিত বৰ্ষৰ ৩০ ছেপ্টেম্বৰৰ বৰ্ধিত সময়সীমাৰ ভিতৰত উক্ত আঁচনিৰ অধীনত পঞ্জীয়ন কৰিব নোৱাৰা অসমৰ নিৰ্মাণ খণ্ডত উদ্যোগসমূহৰ বাবে ৰাজ্যিক মূলধনী বিনিয়োগত ৰাজসাহায্য প্ৰদানত অনুমোদন জনায়। কেবিনেটে আজি শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত এখন কৃষি মহাবিদ্যালয় স্থাপনৰ বাবে প্ৰতাপগঞ্জত ২৫৬ বিঘা ভূমি কৃষি বিভাগৰ নামত আৱণ্টনত অনুমোদন জনায়। কেবিনেটে আজি কামৰূপ জিলাত এক ঔদ্যোগিক ক্ষেত্ৰ স্থাপনৰ বাবে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পূব বংশৰ মৌজাৰ নিজ-গন্ধমৌ গাঁৱৰ ২৫৪নং দাগৰ ৫০৪ বিঘা ভিজিআৰ ভূমি সংৰক্ষণমুক্তকৰণৰ জৰিয়তে আৱণ্টন দিয়াত অনুমোদন জনায়। ইয়াৰ পৰিৱৰ্তে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বংশৰ মৌজাৰ ৫০৪ বিঘা চৰকাৰী ভূমি ভিজিআৰ হিচাপে সংৰক্ষণৰ অনুমোদন জনোৱা হৈছে। যাতে সংৰক্ষণমুক্ত কৰাৰ সমপৰিমাণৰ চৰকাৰী ভূমি ভিজিআৰ হিচাপে সংৰক্ষণ হৈ থাকে। কেবিনেটে সমগ্ৰ অসমত বাধ্যতামূলক পঞ্জীয়নৰ বাবে এক সাৰ্বজনীন প্ৰক্ৰিয়াগত কাঠামো স্থাপনৰ উদ্দেশ্যে অসম মুছলিম বিবাহ পঞ্জীয়ন (বাধ্যতামূলক) বিধি-২০২৬ত অনুমোদন জনায়।

# জুবিন গাৰ্গক লৈ

সোণোৱালৰ অনুৰাগী বুলি মন্তব্য কৰাৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ দুৰ্ঘটনাৰ পিছতহে বা মৃত্যুৰ পিছতহে জুবিন গাৰ্গ এজন বৰ ভাল গায়ক বুলি গম পাইছিল বুলি মন্তব্য কৰে। তাৰ উপৰি জুবিন গাৰ্গে ৪০ হাজাৰ গান গোৱা আৰু ৫ হাজাৰ গান লিখাৰ কথাটোও তেওঁৰ মৃত্যুৰ পিছতহে গম পোৱা বুলি অভিমন্যুৱে প্ৰকাশ কৰিছিল। তাৰ উপৰি ছিংগাপুৰত য়াট পাৰ্টী অনুষ্ঠিত কৰাৰ কথাটোও তেওঁ গম পোৱা নাছিল বুলি উল্লেখ কৰাৰ লগতে ১৯ ছেপ্টেম্বৰৰ বিয়লি ২ মান বজাতহে তেওঁ য়ীট পাৰ্টীত উপস্থিত হোৱাৰ কথা প্ৰকাশ কৰিছিল। জুবিন গাৰ্গ সন্দৰ্ভত এনেবোৰ বিভ্ৰান্তিকৰ আৰু অৰ্ধসত্য কথা প্ৰকাশ কৰা অভিমন্যু তালুকদাৰে জুবিন গাৰ্গ সন্দৰ্ভত ভালদৰে নজনা সত্ত্বেও কিদৰে জুবিন গাৰ্গৰ অনুৰাগী হ'ল বুলি এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰশ্ন উত্থাপন হৈছে যে বাৰেভচহু কথা কোৱা অভিমন্যু তালুকদাৰে যদি মৃত্যুৰ আগলৈকে জুবিন গাৰ্গ ইমান জনপ্ৰিয় আছিল বুলি জনা নাছিল, তেন্তে তেওঁৰ লগত কিয় য়াট পাৰ্টী কৰিবলৈ গৈছিল ? জুবিন গাৰ্গ সন্দৰ্ভত অভিমন্যু তালুকদাৰে কৰা অৱজ্ঞাসূচক মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই প্ৰকাশ কৰে যে অভিমন্যু তালুকদাৰ নামৰ প্ৰবাসী অসমীয়াজনে যিধৰণৰ অৱজ্ঞাসূচক মন্তব্য কৰিছে, সেই মন্তব্য এগৰাকী অসমীয়াৰ বাবে, জুবিন গাৰ্গৰ এগৰাকী অনুৰাগীৰ বাবে সেয়া সহজভাৱে গ্ৰহণযোগ্য নহয়। আছুৰ সভাপতিগৰাকীয়ে এই সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি কয় যে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক হেৰুওৱাৰ দিনটোৰ পৰাই সদৌ অসম ছাত্ৰ সন্থা আৰু অসমৰ জনসাধাৰণৰ এটা স্পষ্ট দাবী আছিল- যি সময়ত প্ৰাণৰ শিল্পী জুবিন গাৰ্গে সাগৰৰ বুকুত জীৱন ৰক্ষাৰ বাবে যুঁজ দি আছিল, সেই সময়ত য়টত বহি হাঁহি-ধেমালি কৰা প্ৰবাসী অসমীয়াসকলকো অসমলৈ আনি সোধা-পোছা কৰা উচিত আছিল। যিগৰাকী ব্যক্তিয়ে জুবিন গাৰ্গৰ বিষয়ে অৱজ্ঞাসূচক মন্তব্য কৰিব পাৰে, যিগৰাকী ব্যক্তিৰ জুবিন গাৰ্গ কোন পৰ্যায়ৰ শিল্পী আছিল, সেই বিষয়েপ্‌্যনতম ধাৰণাও নাই তেনে ব্যক্তি প্ৰকৃত অৰ্থত অসমীয়া হ'ব পাৰে নে নোৱাৰে সেই প্ৰশ্ন উত্থাপন হৈছে। অভিমন্যু তালুকদাৰক এটা কথা স্পষ্টকৈ ক'ব বিচাৰিছোঁ অসমৰ মাটিত থিয় হৈ জুবিন গাৰ্গৰ বিষয়ে এনেধৰণৰ অৱজ্ঞাসূচক মন্তব্য কৰাৰ দুঃসাহস যেন দ্বিতীয়বাৰ নকৰে। অন্যথা অসমৰ জনসাধাৰণৰ ক্ষোভৰ সন্মুখীন হ'বলৈ সাজু থাকিব লাগিব। অসম চৰকাৰক স্পষ্টকৈ আহ্বান জনাই আছুৰ সভাপতিগৰাকীয়ে কয় যে ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক পৃথকে পৃথকে জেৰা কৰাৰ প্ৰয়োজন আছে। তেওঁলোকে অসমলৈ আহি সংবাদ মাধ্যমৰ সন্মুখত যিধৰণে কথা কৈছে, তাৰ পৰা এনে অনুভৱ হৈছে যেন তেওঁলোকৰ কোনো দোষেই নাছিল।

# মুম্বাইত এছবিআইৰ

সেয়েহে বৰ্তমান বিনিয়োগৰ বাবে অসম শ্ৰেষ্ঠ গন্তব্যস্থল। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ এমএছএমই, পৰিবহণকাৰী, সঁজুলি নিৰ্মাতা আৰু সেৱা প্ৰদানকাৰীসকলক সাঙুৰি এক বৃহত্তৰ ঔদ্যোগিক পৰিৱেশতন্ত্ৰৰ বিত্তীয় সাহায্যৰ বাবে বেংকসমূহক অধিক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিত্তমন্ত্ৰী বৰুৱাই কনক্লেভত প্ৰথম প্ৰজন্মৰ উদ্যমীসকলৰ বাবে নগদ ধনৰ প্ৰৱাহভিত্তিক ঋণ প্ৰদানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে পৰম্পৰাগত বন্ধকী সম্পত্তিৰ ওচৰত নিৰ্ভৰ কৰাৰ পৰিৱৰ্তে বেংকসমূহে ব্যৱসায়িক মূল্যায়নৰ বাবে জিএছটি তথ্য, ডিজিটেল পৰিশোধ, উদ্যম পঞ্জীয়ন আৰু ইনভইচৰ দৰে প্ৰমাণিত ডিজিটেল ব্যৱস্থা ব্যৱহাৰ কৰিব পাৰে। নিজ ভাষণত মন্ত্ৰীগৰাকীয়ে ২০২৫-২৬ বৰ্ষত চলিত মূল্যত অসমৰ জিএছডিপি প্ৰায় ৭.৪২ লাখ কোটি টকা বুলি অনুমান কৰা হৈছিল, য'ত প্ৰকৃত বিকাশৰ হাৰ প্ৰায় ১০.১ শতাংশ। আনহাতে ২০২৬-২৭ বৰ্ষৰ বাবে নামমাত্ৰ অৰ্থাৎ ন'মিনেল জিএছডিপি প্ৰায় ৮.৭১ লাখ কোটি টকা হ'ব বুলি ধাৰণা কৰা হৈছে। তেওঁ লগতে কয় যে ৰাজ্যখনৰ ঋণ-জমাৰ অনুপাত ২০১৬ চনৰ মাৰ্চ মাহৰ ৪১.১০ শতাংশৰ পৰা বৃদ্ধি পাই ২০২৬ চনৰ মাৰ্চ মাহত ৭৩.৫২ শতাংশ হৈছে। আনহাতে ২০২১-২২ বৰ্ষৰ পৰা সামুহিক অগ্ৰাধিকাৰপ্ৰাপ্ত খণ্ডৰ অগ্ৰিম ধনৰ পৰিমাণ ৩.৬৯ লাখ টকা অতিক্ৰম কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়- অসমত আজি অৰ্থনৈতিক গতিশীলতা আহিছে, বিনিয়োগৰ এক বৰ্ধিত সম্ভাৱনা গঢ়ি উঠিছে। আন্তঃগাঁথনি উন্নতি ঘটিছে আৰু এক শক্তিশালী প্ৰাতিষ্ঠানিক ঋণৰ পৰিৱেশ সৃষ্টি হৈছে। কিন্তু সকলোতকৈ ওপৰত আমাৰ হাতত আছে আমাৰ মানৱ সম্পদ, আমাৰ জনসাধাৰণ। যিসকল এই পৰিৱৰ্তনৰ সৰ্ববৃহৎ হিতাধিকাৰী আৰু চালিকাশক্তি হৈ পৰিব। তেওঁ লগতে কয় যে ৰাজ্যখনত ঔদ্যোগিক সম্প্ৰসাৰণে ইয়াৰ যুৱপ্ৰজন্মৰ বাবে নিয়োগ আৰু ব্যৱসায়িক সুযোগ সৃষ্টি কৰিব।

## ENGLISH NEWS SECTION

# Anti-Drug movement elicits spontaneous public support across Assam



Guwahati, RB News: What began as a state-wide call for a drug-free Assam is steadily taking the shape of a people's movement, with growing participation of people from across the state. Carrying forward this campaign, Assam Governor Shri Lakshman Prasad Acharya today led the 'Nasha Mukt Bharat Sankalp Padayatra' in Barpeta, drawing enthusiastic participation from students, youth, social organisations, public representatives and citizens. The Governor said that bringing the anti-drug message to Barpeta, a land deeply associated with Assam's cultural and spiritual heritage, carried a special meaning. Recalling the enduring influence of Mahapurush Srimanta Sankardeva and Shri Shri Madhavdeva and the role of Barpeta Satra in preserving Assam's cultural traditions, he said that the Padyatra from this historic town represented a collective resolve to protect the younger generation and build a healthier society. Speaking on the occasion, Governor Shri Acharya said that the consequences of drug abuse extend far beyond the individual level. Addiction affects families, undermines the aspirations of young people and weakens the social fabric. He, therefore, called for a united response involving families, educational institutions, community organisations, civil society and every responsible citizen, alongside the efforts of the government and law-enforcement agencies. The Governor noted that the 'Nasha Mukt Bharat Sankalp Padyatra', which began in Cachar and subsequently reached Sribhumi, Dibrugarh and Tinsukia, has now arrived in Barpeta. He termed the journey as more than a physical march, saying it symbolises a movement from awareness to action and from individual commitment to collective responsibility. Referring to the importance being accorded to the youth in the national campaign against drug abuse, the Governor said that a healthy, skilled, confident and drug-free youth population is essential for Assam's progress and for the continued development of the Northeast. He called upon the young people to become active ambassadors of the message of a drug-free society.

# India men beat Iran to win gold medal



RB News: India's kabaddi teams delivered a golden double in Aichi-Nagoya on Saturday, with the women beating Iran 37-34 before the men overcame the same opponents 40-34 in a pulsating final to retain their Asian Games titles. For the men, it was a victory built on composure after a nervy first half. Trailing 17-18 at the break, Sunil Kumar's side raised its intensity after the restart, tightening up in defence while finding greater rhythm in attack to pull away from a stubborn Iranian team.

# India win historic 4th women's kabaddi gold at Asian Games



RB News: Defending champ India retained their Asian Games women's kabaddi crown on Saturday, beating Iran 37-34 in a tense final at the Tokai Citizens Gymnasium in Aichi-Nagoya, Japan. This is India's fourth women's Kabaddi gold and third for the Indian contingent at the ongoing Asian Games. The Women in Blue held their nerve in a thrilling gold medal match. They kept a lead for the majority of the final and went to the first half break with a scoreline of 22-16. The Iranian women gave the Indian women a good run and pushed them to the limits in the second half, collecting 18 points in reply to India's 15. However, the Women in Blue had done enough to seal the contest 37-34.

# India clinch silver in women's 50m rifle 3 positions team event



RB News: India's shooters continued their medal-winning run at the Asian Games as Tilottama Sen, Vidarsa K. Vinod and Ashi Chouksey combined to clinch silver in the women's 50m rifle 3 positions team event. The Indian trio finished with 1,763 points, 10 behind gold medallists China, who equalled their own Games Record with a total of 1,773. The silver medal was accompanied by a double boost for India, with Tilottama and Vidarsa qualifying for the individual final .

# Shuttler Lakshya Sen crashes out of men's singles event at Asian Games



RB News: Indian shuttler Lakshya Sen bowed out of the men's singles competition at the Asian Games 2026 after suffering a three-game defeat against Singapore's Loh Kean Yew in the opening round on Saturday Sen made a bright start to the contest and raced to a 5-1 lead in the but Loh fought back strongly to win 10 consecutive points and take control of the match. The Singaporean entered the interval with an 11-5 advantage before closing out the first game 21-12.

# India won silver in men's 50m rifle 3 positions team event



RB News: India won the silver medal in the men's 50m rifle 3 positions team event at the Asian Games 2026 on 25 September 2026. Aishwary Pratap Singh Tomar, Niraj Kumar and Rudrankksh Patil scored 1762-94x . China won gold with 1766-95x. South Korea took bronze with 1751-87x. The Indian team finished second at the Aichi Pref. General Shooting Gallery in Aichi-Nagoya, Japan. India had won gold in this event at the 2022 Asian Games.

# এগৰাকী বিশ্ব বিখ্যাত বতৰ আৰু জলবায়ু বিজ্ঞানী ড° ভূপেন্দ্ৰ নাথ গোস্বামী

বন্দিতা শৰ্মা কন্দলি,
দেৰগাঁও



পৃথিৱীৰ বায়ুমণ্ডলত সেউজগৃহ গেছৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে পৃথিৱীৰ গড় উষ্ণতা অৰ্থাৎ গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। গোলকীয় উষ্ণতা বৃদ্ধিয়ে জলবায়ুৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বৰষুণৰ ধৰণ সলনি হৈছে, বৰফ গলিবলৈ ধৰিছে আৰু খৰাং বা বানপানী আদি প্ৰাকৃতিক দুৰ্যোগ বৃদ্ধি পাইছে। এনে প্ৰাকৃতিক দুৰ্যোগৰ আগজাননী যদি পোৱা যায় তেনে আগন্তুক বিপদৰ পৰা ৰক্ষা পাবলৈ সুযোগ পায়। এই দিশ সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি গৱেষণা আৰম্ভ কৰা ব্যক্তিজনেই হৈছে ড° ভূপেন্দ্ৰ নাথ গোস্বামী। তেওঁৰ গৱেষণাৰ বিষয় আছিল ভাৰতীয় মৌচুমী বায়ুৰ গতিশীলতা আৰু ইয়াৰ ভৱিষ্যদ্বাণী। জলবায়ু পৰিবৰ্তনে মৌচুমী বৰষুণৰ ওপৰতো প্ৰভাৱ পেলাইছে। তেওঁৰ নেতৃত্বতে ভাৰত চৰকাৰৰ পৃথিৱী বিজ্ঞান মন্ত্ৰালয়ে 'মনচুন মিছন' প্ৰকল্প আৰম্ভ কৰিছিল । এই প্ৰকল্পৰ উদ্দেশ্য আছিল বতৰ বিজ্ঞানৰ আধুনিক কম্পিউটাৰ মডেল ব্যৱহাৰ কৰি ভাৰতত কেতিয়া, ক'ত আৰু কিমান বৰষুণ হ'ব তাৰ সঠিক পূৰ্বানুমান কৰা। তেওঁৰ গৱেষণাৰ পৰা দেখা যায় যে সেউজ গৃহ গেছৰ প্ৰভাৱত ভাৰতীয় জহকালৰ মৌচুমী বৰষুণৰ ধৰণ লাহে লাহে পশ্চিম দিশলৈ প্ৰসাৰিত হৈছে। যাৰফলত মৰুভূমি অঞ্চলতো বৰষুণৰ পৰিমাণ বৃদ্ধি হৈছে। তেওঁৰ গৱেষণাৰ পৰা জানিব পাৰিছিল যে সাগৰৰ উষ্ণতা আৰু বায়ুমণ্ডলৰ পাৰস্পৰিক ক্ৰিয়াই বতৰ নিয়ন্ত্ৰণ কৰে আৰু বানপানীৰ আগজাননী দিব পাৰে ।

ড° ভূপেন্দ্ৰ নাথ গোস্বামীৰ জন্ম হয় ১৯৫০ চনৰ ১ আগষ্টত বৰপেটা জিলাৰ পাটবাউসীত। স্থানীয় বিদ্যালয়তে স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰি তেওঁ ১৯৬৯ চনত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ ফিজিকেল ৰিচাৰ্চ লেবৰেটৰীৰ (পি আৰ এল) ত বিমলা বুটীৰ তত্বাৱধানত ডক্টৰেট ডিগ্ৰী বাবে গৱেষণা আৰম্ভ কৰে। ১৯৭৬ চনত তেওঁ গুজৰাট বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ পি আৰ এলত গৱেষণাৰ সহকাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৮ চনত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈ পষ্ট ডক্টৰেট কৰে। দুবছৰৰ পিছত তেওঁ আমেৰিকাৰ নেশ্যনেল ৰিচাৰ্চ কাউন্সিলত গৱেষণা সহকাৰী পদত তিনিবছৰ আৰু এবছৰ ইউনিভাৰ্ছিটিজ স্পেচ ৰিচাৰ্চ এছ' ছিয়েছনত বিজ্ঞানী ৰূপে কাৰ্যনিৰ্বাহ কৰে।

ভাৰতলৈ উভতি আহি তেওঁ ১৯৮৩ চনত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, দিল্লীৰ বতৰ বিজ্ঞান কেন্দ্ৰত বৈজ্ঞানিক বিষয়া ৰূপে যোগদান কৰে। ১৯৮৫ চনত তেওঁ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ বতৰ বিজ্ঞান কেন্দ্ৰত সহকাৰী অধ্যাপক পদত যোগদান কৰে। ২০০৫ চনত কেন্দ্ৰৰ চেয়াৰ মেন হৈ ২০০৬ চনলৈকে কাৰ্যনিৰ্বাহ কৰে। তেওঁ মেৰিলেণ্ড বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ অক্সচেন- লেণ্ড -এটম'স্ফিয়াৰ ইণ্টাৰেকচনছ আৰু ইনষ্টিটিউট ফৰ গ্লোবেল এনভাইৰনমেণ্ট এণ্ড ছ'চাইটিৰ জ্যেষ্ঠ ভ্ৰমণকাৰী গৱেষণা সহযোগী হিচাপে কাম কৰিছিল। ২০০৬ চনৰ পৰা ভাৰতীয় ক্ৰান্তীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ সঞ্চালক পদত অধিষ্ঠিত হৈ ২০১৪ চনলৈকে এই পদত থাকি ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানলৈ স্থানান্তৰিত হৈ প্ৰতিষ্ঠানটোৰ পৃথিৱী আৰু জলবায়ু বিজ্ঞান বিভাগত এম ই এচ পিছাৰোটি চেয়াৰ প্ৰফেছাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৫ চনৰ নৱেম্বৰ মাহত তেওঁ কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

ড° ভূপেন্দ্ৰ নাথ গোস্বামীৰ গৱেষণাৰ দ্বাৰা প্ৰমাণিত হৈছে যে কেৱল প্ৰশান্ত মহাসাগৰেই পৃথিৱীৰ জলবায়ু নিয়ন্ত্ৰণ নকৰে, ভাৰত মহাসাগৰৰো ভূমিকা আছে। ভাৰত মহাসাগৰৰ নিজা স্বতন্ত্ৰ জলবায়ু ব্যৱস্থা আছে, যিটো বৰ্তমান ভাৰত মহাসাগৰৰ ডাইপোল (আই অ' ডি) বুলি জনা যায়। তেওঁলোকে দেখুৱাইছিল যে পশ্চিম আৰু পুব ভাৰত মহাসাগৰৰ মাজত সমুদ্ৰপৃষ্ঠৰ উষ্ণতাৰ পাৰ্থক্যই সমগ্ৰ অঞ্চলটোত বতাহ, বৰষুণ আৰু সাগৰৰ পৰিসঞ্চালন স্বতন্ত্ৰ ভাৱে সলনি কৰিব পাৰে।

এই আৱিষ্কাৰৰ জৰিয়তে প্ৰৱৰ্তিত হয় ডাইপোল মোড সূচকাংক যাৰ নিৰীক্ষণৰ যোগেদি সমগ্ৰ ভাৰত, পুব আফ্ৰিকা, ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আদি দেশত খৰাং, বানপানী, কৃষি আৰু জলসম্পদৰ ঋতু ভিত্তিক সঠিক ভৱিষ্যদ্বাণী কৰাত সফলতা লাভ কৰে। তেওঁৰ আন এটা উল্লেখযোগ্য অৱদান হৈছে ২০০৬ চনত প্ৰমাণ কৰি দেখুৱাই যে জলবায়ু পৰিৱৰ্তনে ভাৰতীয় বাৰিষাৰ পৰিবৰ্তন আনিছে। যাৰ ফলত বৰষুণৰ তীব্ৰতা যথেষ্ট বেছি হৈছে, সঘনাই বতৰৰ পৰিৱৰ্তন হৈছে। মধ্যমীয়া বৰষুণৰ পৰিমাণ কমি গৈছে। বৰ্তমান বৰষুণৰ প্ৰকৃতি আগৰ তুলনাত তীব্ৰ, চুটি, বহু দিনলৈ বৰষুণ নোহোৱাকৈ থকা আদি অস্বাভাৱিক অৱস্থা দেখিবলৈ পোৱা যায়।

ড° ভূপেন্দ্ৰ নাথ গোস্বামীয়ে বতৰ আৰু জলবায়ু গৱেষণা বিশেষকৈ ভাৰতৰ মৌচুমী জলবায়ুৰ ওপৰত কৰা গৱেষণাৰ বাবে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই বঁটাৰ ভিতৰত আছে ১৯৯৪ চনত বিক্ৰম চাৰাভাই বঁটা, ১৯৯৫ চনত ভাৰত চৰকাৰৰ বৈজ্ঞানিক গৱেষণাৰ পৰিচালক প্ৰতিষ্ঠান কাউন্সিল অৱ চায়েণ্টিফিক এণ্ড ইণ্ডাষ্ট্ৰীয়েল ৰিচাৰ্চে তেওঁৰ অৱদানৰ স্বীকৃতি স্বৰূপে শান্তি স্বৰূপ ভাটনাগৰ বঁটা, ২০০৮ চনত ভাৰতীয় ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমীৰ কল্পনা ৰামকৃষ্ণ ৰামনাথন পদক আৰু কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা, ২০১১ চনত ভাৰতীয় ক্ৰান্তীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ ২৪ সংখ্যক ৰূপালী জয়ন্তী বঁটা, ২০১২ চনত ৰাছৰিক ঔদ্যোগিক গৱেষণা বঁটা, ২০১৪ চনত পৃথিৱী বিজ্ঞান মন্ত্ৰালয়ে প্ৰদান কৰে বায়ুমণ্ডল বিজ্ঞান আৰু প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় বঁটা। ড° গোস্বামী ভাৰতৰ মৌচুমী জলবায়ুৰ ওপৰত কৰা গৱেষণাৰ বাবে তেওঁ চিৰস্মৰণীয় হৈ ৰ'ব।

# মানৱতাৰ বন্তি



ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়

সুখ-দুখ পাহৰি
প্ৰতিদিনে সমাজৰ বাবে কৰ্ম কৰে,
মানৱতাৰ বন্তি জ্বলাই আগুৱাই যাব খোজে।
দুখীয়াৰ চকুৰ পানী মচিবলৈ
কৰে আপ্ৰাণ চেষ্টা।
প্ৰচণ্ড ধুমুহা আহিলেও থমকি নৰয়,
আশাহীন মনত আশাৰ বাট দেখুৱাবলৈ
নিৰ্ভয়ে আগুৱাই আহে।
সহায় কৰাই তেওঁৰ মূল উদ্দেশ্য
কথা কম, কাম বেছি।
নিস্বাৰ্থভাৱে কাম কৰোঁতে
অনেক সমস্যাৰ মুখামুখি হয়,
তথাপিও থমকি ৰ'ব নোখোজে।
মানৱসেৱাই তেওঁৰ জীৱনৰ একমাত্ৰ সংকল্প
মানুহৰ কল্যাণেই তেওঁৰ সাধনা
তেওঁৰ ত্যাগ আৰু সেৱাতেই
সমাজ হয় সমৃদ্ধিশালী।
সময়ৰ কাম সময়তে কৰি
দ্ৰুতগতিত আগুৱাই যায়।
মানৱৰূপী ভগৱানজন
মানৱসেৱাত কেতিয়াও ভাগৰি নপৰে,
মানৱতাৰ জয়গান গাই মানুহৰ হৃদয় জিনে।
মানৱৰূপী ভগৱান এজন নহয়,
হাজাৰজনৰ প্ৰয়োজন আছে;
এনে সমাজসেৱকেই সমাজৰ প্ৰকৃত গৌৰৱ,
মানুহৰ বাবে জীয়াই থকাই
জীৱনৰ সঁচা অৰ্থ।
তেওঁলোকৰ আদৰ্শতেই জাগি উঠক মানৱতা
সেৱাৰ পোহৰেৰে আলোকিত হওক সমাজ
আগুৱাই যাওক নৱপ্ৰজন্ম
মানৱতাৰ পবিত্ৰ পথত।

# সপোনে পাখি

ছাত্ৰ-ছাত্ৰীসকলৰ ফালে চাই আত্মবিশ্বাসেৰে ক'লে- "শিক্ষা কেৱল মাত্ৰ পৰীক্ষাত ভাল নম্বৰ পোৱা বা এখন উৎকৃষ্ট প্ৰমাণ পত্ৰ নহয়; শিক্ষা হৈছে পৃথিৱীখনক নতুন দৃষ্টিৰে চাবলৈ শিকোৱা এক শক্তি।"

শ্ৰেণীকোঠাটো নিস্তব্ধ হৈ পৰিল। কিন্তু সেই নীৰৱতাৰ মাজতেই যেন জিমিয়ে নিজৰ সপোন পূৰণৰ এক নতুন অধ্যায়ৰ আৰম্ভণিৰ শব্দ শুনিলে।

আজিৰ দিনটো তাইৰ বাবে কেৱল কৰ্মজীৱনৰ প্ৰথম দিন নহয়-ই আছিল বহুদিনৰ অপেক্ষা, পৰিশ্ৰম আৰু বিশ্বাসৰ ফল লাভ কৰাৰ দিন। তাই বুজিলে, সপোন কেতিয়াও কেৱল কল্পনা হৈ নাথাকে; সঠিক লক্ষ্য, অধ্যৱসায় আৰু আত্মবিশ্বাস থাকিলে এদিন সেই সপোনে নিশ্চিত ভাৱে পোখা মেলি উঠে।।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# জুবিন গাৰ্গঃ অসম, সমাজ আৰু এক বিশ্বজনীন চিন্তাৰ সুৰ

বনজিৎ শৰ্মা,সহকাৰী শিক্ষক,ঢেকীয়াজুলী

যোৰাখণ্ডৰ পৰা...



জুবিন গাৰ্গ কেৱল সংগীতৰ জগততে ভিন্ন চিন্তাধাৰাৰ মানুহ নাছিল; তেওঁৰ চলচ্চিত্ৰসমূহেও তেওঁৰ সামাজিক আৰু সৃষ্টিশীল দৃষ্টিভংগীৰ আন এক পৰিচয় বহন কৰে। 'দীনবন্ধু', 'মন যায়', 'মিছন চায়না', 'কাঞ্চনজংঘা' আদি চলচ্চিত্ৰৰ জৰিয়তে তেওঁ সমাজ, মানুহৰ সম্পৰ্ক, সংঘাত, পৰিচয়, জীৱনৰ বাস্তৱতা আৰু অসমৰ সামাজিক পৰিৱেশৰ বিভিন্ন দিশক ভিন্ন ৰূপত উপস্থাপন কৰিবলৈ চেষ্টা কৰিছিল। গানৰ মাজেৰে যি কথা তেওঁ অনুভৱৰ ভাষাত কৈছিল, চলচ্চিত্ৰৰ মাজেৰে সেই কথাবোৰক চৰিত্ৰ, কাহিনী আৰু দৃশ্যৰ ভাষাত প্ৰকাশ কৰাৰ চেষ্টা কৰিছিল। অসমীয়া চলচ্চিত্ৰ উদ্যোগক নতুন প্ৰজন্মৰ ওচৰলৈ লৈ যোৱা আৰু ইয়াৰ বাবে নতুন দৰ্শক সৃষ্টি কৰাত তেওঁৰ জনপ্ৰিয়তা আৰু সৃষ্টিশীল শক্তিৰ ভূমিকা উল্লেখযোগ্য। বিশেষকৈ 'মিছন চায়না' আৰু 'কাঞ্চনজংঘা'ৰ দৰে ছবিয়ে অসমীয়া চলচ্চিত্ৰত বৃহৎ পৰিসৰৰ কাহিনী, আধুনিক প্ৰযুক্তি, একচন, মনোৰঞ্জন আৰু সমসাময়িক কাহিনী কোৱাৰ ধৰণৰ সম্ভাৱনাক নতুনকৈ উন্মোচন কৰিছিল। সংগীতত যিদৰে জুবিনে নতুন fusion আনিছিল, চলচ্চিত্ৰতো তেওঁ অসমীয়া কাহিনীক নতুন পৰিসৰ আৰু নতুন প্ৰজন্মৰ দৃষ্টিভংগীৰে উপস্থাপন কৰাৰ চেষ্টা কৰিছিল।

জুবিন গাৰ্গৰ চিন্তাৰ আন এটা শক্তিশালী দিশ আছিল অসমীয়া জাতিসত্তা, ভাষা, সংস্কৃতি আৰু স্বকীয়তাৰ প্ৰতি তেওঁৰ গভীৰ টান। অসমে নিজৰ স্বকীয়তা বজাই ৰাখি আগবাঢ়ক- এই আকাংক্ষা তেওঁৰ বিভিন্ন ৰাজহুৱা বক্তব্য আৰু সামাজিক ভূমিকাত প্ৰকাশ পাইছিল। নাগৰিকত্ব সংশোধনী বিধেয়ক বা CAB আৰু পিছত CAAক কেন্দ্ৰ কৰি অসমৰ আন্দোলনৰ সময়তো তেওঁ অসম আৰু অসমীয়াৰ অধিকাৰ আৰু স্বকীয়তাৰ প্ৰশ্নত শক্তিশালীভাৱে মাত মাতিছিল। কিন্তু তেওঁৰ অসমপ্ৰেমক সংকীৰ্ণ জাতীয়তা-বাদ হিচাপে ব্যাখ্যা কৰাটো উচিত নহয়। নিজৰ জাতি আৰু সংস্কৃতিক ভালপোৱা আৰু আন জাতি-জনগোষ্ঠীক অসন্মান কৰা- এই দুটা একে কথা নহয়। জুবিনে নিজৰ পৰিচয়ক ভাল পাইছিল, কিন্তু আনৰ পৰিচয়ৰ প্ৰতি সন্মানৰ কথাও একে সময়তে ধৰি ৰাখিছিল। ভাৰতৰ বিভিন্ন জাতি, ভাষা আৰু জনগোষ্ঠীৰ প্ৰতি সন্মান তেওঁৰ চিন্তাৰ এক গুৰুত্বপূৰ্ণ অংশ আছিল।

জুবিন গাৰ্গৰ ৰাজনৈতিক অৱস্থানক কোনো এটা দলৰ সীমাৰ ভিতৰত আবদ্ধ কৰি চোৱাটো তেওঁৰ ব্যক্তিত্বক সৰু কৰি চোৱা হ'ব। তেওঁ কোনো এটা ৰাজনৈতিক দলৰ প্ৰতি অন্ধ আনুগত্য দেখুওৱাৰ সলনি অসমৰ স্বাৰ্থত কাম কৰাৰ বাবে ৰাজনৈতিক শক্তিসমূহক প্ৰশ্ন কৰা আৰু চাপ সৃষ্টি কৰাৰ পথ অধিক গ্ৰহণ কৰিছিল বুলি ক'ব পাৰি। ক্ষমতাত থকা দল হওক বা বিৰোধী দল-মূল প্ৰশ্নটো যেন আছিল, "অসম আৰু অসমীয়াৰ বাবে তোমালোকে কি কৰি আছা?" ৰাজনৈতিক দুৰ্নীতি, ক্ষমতাৰ অপব্যৱহাৰ আৰু জনস্বাৰ্থৰ বিপৰীতে যোৱা কাৰ্যকলাপৰ প্ৰতিও তেওঁৰ অসন্তুষ্টি বিভিন্ন সময়ত প্ৰকাশ পাইছিল। এই কাৰণেই তেওঁৰ ৰাজনীতি দলকেন্দ্ৰিকতাতকৈ বিষয়কেন্দ্ৰিক আছিল বুলি ক'ব পাৰি। তেওঁ কোনো এটা দলৰ স্থায়ী মুখপাত্ৰ হোৱাৰ সলনি ৰাজনৈতিক নেতৃত্বক অসমৰ মানুহৰ বাবে কাম কৰাৰ দাবী জনাইছিল। স্বাধীনভাৱে ভাবাৰ স্বাধীনতা, প্ৰশ্ন কৰাৰ সাহস আৰু মানুহক মানুহ হিচাপে চোৱাৰ মানসিকতা-এইবোৰ তেওঁৰ ৰাজহুৱা ব্যক্তিত্বৰ উল্লেখযোগ্য বৈশিষ্ট্য আছিল।

জুবিনৰ চিন্তাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল তেওঁৰ বিশ্বজনীন দৃষ্টিভংগী। তেওঁ অসমীয়া যুৱসমাজক কেৱল নিজৰ ভাষা-সংস্কৃতিৰ মাজতে সীমাবদ্ধ হৈ থাকিবলৈ উৎসাহিত কৰা নাছিল। ইংৰাজী ভাষা শিকাৰ প্ৰতিও তেওঁ উৎসাহ দিছিল, যাতে অসমীয়া যুৱক-যুৱতীয়ে পৃথিৱীৰ বিশালজ্ঞ নৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। ইয়াত এক গভীৰ বাৰ্তা আছে-ইংৰাজী শিকাৰ অৰ্থ নিজৰ ভাষা পাহৰি যোৱা নহয়। বৰং নিজৰ মাতৃভাষা আৰু সংস্কৃতিৰ শিপা শক্তিশালী কৰি ৰাখিও ইংৰাজীৰ জৰিয়তে বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, শিক্ষা আৰু পৃথিৱীৰ বিভিন্ন জ্ঞান আহৰণ কৰিব পাৰি। অৰ্থাৎ, শিপা অসমত থাকক, কিন্তু দৃষ্টি হওক সমগ্ৰ পৃথিৱীৰ ফালে। আজিৰ বিশ্বায়নৰ সময়ত এই দৃষ্টিভংগী বিশেষভাৱে প্ৰাসংগিক। নিজৰ ভাষা, সংস্কৃতি আৰু পৰিচয়ৰ সৈতে সংযুক্ত হৈ থাকিও বিশ্বৰ জ্ঞান, প্ৰযুক্তি আৰু সুযোগৰ সৈতে সংযোগ স্থাপন কৰাটোৱেই হ'ব পাৰে নতুন প্ৰজন্মৰ আগবাঢ়ি যোৱাৰ এক শক্তিশালী পথ।

জুবিন গাৰ্গৰ সংগীত আৰু তেওঁৰ চিন্তাধাৰাৰ মাজত এক আশ্চৰ্য মিল দেখা যায়। তেওঁৰ সংগীতত যেনেকৈ অসমীয়া লোকসুৰ আৰু পাশ্চাত্য সংগীত মিলি এক নতুন সুৰৰ জন্ম দিছিল, তেনেকৈ তেওঁৰ চিন্তাতো অসমীয়া স্বকীয়তা আৰু বিশ্বজনীনতা একেলগে স্থান পাইছিল। চলচ্চিত্ৰত তেওঁ সমাজ আৰু মানুহৰ সংবেদনশীল বিষয়ক নতুন দৃষ্টিৰে চাবলৈ চেষ্টা কৰিছিল। সংগীত, চলচ্চিত্ৰ, সামাজিক চিন্তা আৰু ৰাজহুৱা জীৱন-সকলো ক্ষেত্ৰতে তেওঁৰ সৃষ্টিশীল যাত্ৰাৰ মাজত এটা সাধাৰণ বাৰ্তা বিচাৰি পোৱা যায়-নিজৰ শিপাক পাহৰি নহয়, নিজৰ শিপাৰ ওপৰত থিয় হৈ আগবাঢ়িব লাগে। নিজৰ পৰিচয়ক ভালপোৱা, কিন্তু আনৰ পৰিচয়ক সন্মান কৰা; নিজৰ ভাষাক আঁকোৱালি ধৰা, কিন্তু পৃথিৱীৰ জ্ঞানৰ দুৱাৰ বন্ধ নকৰা; অসমৰ অধিকাৰৰ বাবে মাত মতা, কিন্তু ঘৃণাৰ ৰাজনীতি নকৰা; ৰাজনৈতিক দলক অন্ধভাৱে অনুসৰণ নকৰি প্ৰতিটো দলক অসমৰ বাবে কাম কৰিবলৈ প্ৰশ্ন কৰা; আধুনিক হোৱা, কিন্তু নিজৰ শিপা পাহৰি নোযোৱা; শান্তিৰ পক্ষত থিয় হোৱা, কিন্তু অন্যায়, দুৰ্নীতি আৰু বৈষম্যৰ প্ৰতি নীৰৱ নোহোৱা; মানুহক ভালপোৱা আৰু মানুহৰ লগতে জীৱ-জন্তু আৰু প্ৰকৃতিকো ভালপোৱা-এইবোৰ তেওঁৰ চিন্তাৰ বহল পৰিসৰৰ সৈতে মিল খায়।

সেইবাবেই জুবিন গাৰ্গ কেৱল অসমৰ এজন জনপ্ৰিয় শিল্পী নাছিল। তেওঁ আছিল অসমীয়া আত্মপৰিচয় আৰু বিশ্বজনীন চিন্তাৰ মাজত এখন সেতু। তেওঁ অসমক ভাল পাইছিল, কিন্তু পৃথিৱীখনক সৰু কৰি অসমক ভাল পোৱা নাছিল। তেওঁ বিচাৰিছিল-অসমীয়া মানুহে নিজৰ ভাষা, সংস্কৃতি আৰু পৰিচয়ক লৈ গৌৰৱ কৰক; একে সময়তে শিক্ষা, ইংৰাজী ভাষা আৰু বিশ্বৰ জ্ঞান আহৰণ কৰি পৃথিৱীৰ সৈতে সমানে আগবাঢ়ক। হয়তো জুবিন গাৰ্গৰ চিন্তাধাৰাৰ আটাইতকৈ সুন্দৰ ব্যাখ্যা এয়াই-"নিজৰ মাটিত শিপা থাকক, কিন্তু দৃষ্টি হওক সমগ্ৰ পৃথিৱীৰ ফালে।"

জুবিন গাৰ্গৰ সংগীত সেয়ে কেৱল সুৰ নহয়। তেওঁৰ সংগীত, চলচ্চিত্ৰ আৰু চিন্তাৰ মাজত আমি বিচাৰি পাওঁ অসম, মানুহ, সমতা, স্বকীয়তা, শান্তি, স্বাধীনতা, ন্যায় আৰু বিশ্বজনীনতাৰ এক অনন্য সমন্বয়। এজন শিল্পীৰ জীৱন শেষ হ'ব পাৰে, কিন্তু তেওঁ সমাজৰ চিন্তাত যি প্ৰশ্ন এৰি যায়, সেয়া বহুদিন জীয়াই থাকে। জুবিন গাৰ্গেও অসমীয়া সমাজৰ আগত তেনে বহু প্ৰশ্ন এৰি গৈছে-আমি নিজৰ পৰিচয় ৰক্ষা কৰি কিমান দূৰলৈ বিশ্বৰ সৈতে আগবাঢ়িব পাৰিম? আমি আধুনিক হ'বলৈ গৈ নিজৰ শিপা হেৰুৱাম নেকি? আৰু নিজৰ মাটিক ভাল পাইও আমি কিমান উদাৰভাৱে সমগ্ৰ পৃথিৱীখনক আঁকোৱালি ল'ব পাৰিম?

এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি থকাৰ মাজতেই হয়তো জুবিন গাৰ্গৰ সৃষ্টিৰ প্ৰকৃত প্ৰাসংগিকতা সদায় জীয়াই থাকিব।

অণুগল্প

## কৰ্মফল

দীপাংকৰ শইকীয়া



হঠাৎ মনীষাই চিঞৰি উঠিল-দেউতা দেউতা মোৰ গাত মাটি পৰিছে, মই উশাহ ল'ব পৰা নাই দেউতা, মই উশাহ ল'ব পৰা নাই আজিৰ পৰা দুদিনৰ আগত ৰমেনে তাৰ দ্বিতীয় পত্নীৰ কৰ্কথনা সহ্য কৰিব নোৱাৰি প্ৰথম পত্নীৰ অন্ধ ছোৱালী জনীক জীয়াই জীয়াই গাত খান্দি পুতি পেলাইছিল আজি কিন্তু ৰমেনৰ দ্বিতীয় পত্নীয়ে চিঞৰি চিঞৰি কান্দোনত ভাগি পৰিছে -আপুনি মোক অকলশৰে এৰি তাইৰ ওচৰলৈ কিয় গুছি গ'ল।